সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩১ সংখ্যা, ১৪ শাওণ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 31 * Date Of Publication - 31 July 2022 Rs.10.00/-

## কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠা দিৱস উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই কোকৰাঝাৰৰ চালাকাটিত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ৩২ সংখ্যক প্ৰতিস্থা দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুস্থানত মন্ত্ৰীগৰাকীয়ে কোচ ৰাজবংশীসকলৰ চহকী ইতিহাস আৰু সংস্কৃতিৰ বিষয়ে আলোকপাত কৰি মহাৰাজ নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আগবাঢ়ি যাবৰ বাবে সকলোকে আহ্বান জনায়। এসময়ৰ বৈষ্ণৱ সংস্কৃতিৰ অন্যতম কেন্দ্ৰ কোচ সাম্ৰাজ্যত মহাপুৰুষ শংকৰদেৱে ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰি ধৰ্ম প্ৰচাৰ আৰু সাহিত্য সৃষ্টি কৰাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, কোচ ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতা নোপোৱাহেঁতেন হয়তো মহাপুৰুষ জনাৰ কিছু সৃষ্টি আধৰুৱা হৈ থাকিলেহেঁতেন । আনহাতে ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ৰ অবিহনে অসম বুৰঞ্জী কেতিয়াও সম্পূৰ্ণ নহয় বুলি মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসম চৰকাৰে ৰাজ্যখনৰ সকলো জনগোষ্ঠীৰ উন্নয়নৰ বাবে কাম কৰি আছে। “আমাৰ মাজত আজিও কিছু সমস্যা আছে, কিন্তু সুচিন্তিত পৰিকল্পনাৰেহে এনে সমস্যাৰ সমাধানৰ সূত্ৰ বিচাৰিব পৰা যাব” তেওঁ কয়। মন্ত্ৰী হাজৰিকাই আৰু কয় যে, বি জে পি নেতৃত্বাধীন এন ডি এ চৰকাৰখনৰ সদৃচ্ছাৰ বাবেহে ২০২০ চনত কমতাপুৰ স্বায়ত্বশাসিত পৰিষদ গঠন কৰি কোচ ৰাজবংশী জনগোষ্ঠীক প্ৰাপ্য অধিকাৰ প্ৰদান কৰাৰ প্ৰয়াস কৰা হৈছিল। আনহাতে আমাৰ মাজত থকা সমস্যা সমাধানৰ বাবে কৰা আন্দোলনৰ নামত আমি সকলোখিনি স্তব্ধ কৰি দিয়াটো কোনোমতেই সমীচিন নহয় বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই অনুস্থানৰ আৰম্ভণিতে মন্ত্ৰী হাজৰিকাক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ তৰফৰ পৰা সভাপতি ক্ষীতিশ বৰ্মন আৰু আন বিষয়ববীয়াসকলে সম্বৰ্ধনা জনায় । উল্লেখযোগ্য যে, আজিৰ সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ৩২ সংখ্যক প্ৰতিস্থা দিৱসৰ অনুস্থানত মন্ত্ৰীগৰাকীৰ লগতে বিধায়কদ্বয় জয়ন্ত বসুমতাৰী আৰু জিয়ন বসুমতাৰী, কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মন তথা আন কাৰ্যবাহী সদস্যসকল, কণ্ঠশিল্পী দিপলীনা ডেকা আৰু আন বহুকেইজন ব্যক্তি উপস্থিত আছিল।


## উৎকোচ লৈ হাতে-লোটে গ্ৰেপ্তাৰ চৰকাৰী বিষয়া



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ দুটা স্থানত অভিযান চলাই অসম আৰক্ষীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই দুজন চৰকাৰী কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰে। ইয়াৰে এগৰাকী হৈছে মৰিগাঁৱৰ আবকাৰী অধীক্ষক বৰষা বৰা বৰদলৈ। আনগৰাকী হ'ল ডিব্ৰুগড় জিলাৰ খোৱাং খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ত সহায়ক হিচাপে কৰ্মৰত প্ৰধান শিক্ষক নৰজ্যোতি শৰ্মা। জাগীৰোডৰ এজন ব্যৱসায়ীৰ পৰা ১ লাখ টকা উৎকোচ বিচাৰি ২০ হাজাৰ টকা লোৱা অৱস্থাত বৰষা বৰা বৰদলৈ গ্ৰেপ্তাৰ হয়। নৰজ্যোতি শৰ্মা এজন শিক্ষকৰ পৰা উৎকোচ গ্ৰহণ কৰি থকা অৱস্থাতে হাতে-লোটে গ্ৰেপ্তাৰ হয়। নৰজ্যোতি শৰ্মাই শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ ভিতৰতে বাজী পহুমৰাৰ এখন বিদ্যালয়ৰ এজন শিক্ষকৰ পৰা ছাৰ্ভিচ বুকৰ নামত এহাজাৰ টকা উৎকোচ লৈছিল। এই ধন লৈ থকা অৱস্থাতে দুৰ্নীতি নিবাৰক শাখাই টকাসহ গ্ৰেপ্তাৰ কৰে শিক্ষকজনক। দলটোৱে কাৰ্যালয়টোত কেইবাঘণ্টা ধৰি শিক্ষকজনক জেৰা চলোৱাৰ লগতে বহু নথিপত্ৰ আৰু কম্পিউটাৰসহ ইলেক্ট্নিক সামগ্ৰী জব্দ কৰে। দুৰ্নীতি নিবাৰকৰ দলটোৱে শিক্ষকজনৰ বাসগৃহতো অভিযান চলায়। আনহাতে মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ত অসম আৰক্ষীৰ দুৰ্নীতি নিৰ্বাৰক শাখাই অভিযান চলাই গ্ৰেপ্তাৰ কৰা মৰিগাঁওৰ আবকাৰী বিভাগৰ অধ্যক্ষ বৰষা বৰা বৰদলৈৰ ডিব্ৰুগড়ৰ বাসগৃহ ছীল কৰা হৈছে।

### সম্পাদকীয়ঃ

## বিজ্ঞান আৰু অংক বিষয় ইংৰাজী ভাষাত




শেহতীয়া কৈ এটা বাতৰিয়ে সকলোৰে মন মগজুত খলকনি তুলিছে। খবৰটো হ'ল অসমীয়া মাধ্যমৰ বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু অংক বিষয়ৰ পাঠদান ইংৰাজীত হ'ব। ইমান এটা ডাঙৰ ঘোষণা জনসাধাৰণৰ আগত চৰকাৰখনে ইমান সহজ ভাবে ঘোষণা কৰিলে যে হিন্দী চিনেমা এখনৰ দাইলগ এটা লৈ মনত পৰি গ'ল..'বৰে বৰে দেশ মে চ'টে চ'টে বাত হৌতা ৰেহতা হ্যে'কোন চিনেমাৰ আছিল কাৰ মুখৰ সেই সংলাপ আছিল সেইবোৰ পাহৰিলো কিন্তু সংলাপটো জনপ্ৰিয় হোৱাৰ বাবে মনত থাকি গ'ল। এতিয়া আহো মূল বিষয়টোলৈ। কোনো আগ-পিছ নোহোৱাকৈ চৰকাৰী বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজীত, অংক আৰু বিজ্ঞান বিষয়টো পঢ়াবলৈ আমাৰ কণমানি হতঁৰ দিগদাৰ নহ'বনে? আমাৰ চৰকাৰী বিদ্যালয়ত পঢ়া কিছুমান ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক সকল উচ্চ শিক্ষাৰেতো শিক্ষিত নহয়। যাৰ বাবে তেওঁলোকে নিজৰ সন্তানৰ পঢ়াৰ ক্ষেত্ৰত সহায় কৰিব নোৱাৰিব। তাৰোপৰি কিছুলোক অৰ্থনৈতিক ফালৰ পৰা দৰিদ্ৰ সীমাৰেখাৰ তলত হোৱাও দেখা যায়। কিন্তু এই মাজ মুৰোকত অংক আৰু বিজ্ঞানৰ দৰে বিষয়সমূহ ইংৰাজীত পঢ়িবলগীয়া হ'লে এজন ঘৰুৱা শিক্ষকৰ সহায় ল'বলগীয়া হ'ব। তাৰ লগে লগে আহি পৰিব পইচাৰ কথা। মূল্যবৃদ্ধিয়ে কোঙা কৰা এটা পৰিয়াল য'ত বাকীবোৰৰ কথা বাদ দি এটা চিলিণ্ডাৰৰ দাম ১১৫০ টকা হয় সেইটো পৰিয়ালত আকৌ ইমান পইছা ভাঙি ঘৰুৱা শিক্ষক ধৰাটো এটা প্ৰত্যাহ্বান। তাৰোপৰি এখন অসমীয়া মাধ্যমৰ বিদ্যালয়ত সকলো বিষয় মাতৃভাষাতে হ'ব লাগে আৰু কোনোবা অভিভাৱকে যদি তেওঁলোকৰ সন্তানৰ ইংৰাজী বিষয়ৰ প্ৰয়োজনীয়তা উপলব্ধি কৰে তেতিয়া হ'লে তেওঁলোকে সৰুৰে পৰাই ইংৰাজী মাধ্যমত পঢ়াব। কাৰণ এজন অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়া এজন ছাত্ৰ যেতিয়া প্ৰথম বিদ্যালয়লৈ যায় তেওঁ অংক আৰু বিজ্ঞান বিষয়টো অসমীয়াতে শিকি আগবাঢ়ি যাব কিন্তু পৰৱৰ্তী সময়ত যেতিয়া ইংৰাজীত পঢ়িবলৈ ল'ব তেতিয়া তেওঁ ভাব প্ৰকাশ বোৰ ইংৰাজীত প্ৰকাশ কৰিবলৈ যথেষ্ট কষ্ট হ'ব। গতিকে মই ভাবো এই সিদ্ধান্ততো লোৱাৰ আগতে আকৌ এবাৰ চিন্তা কৰাটো অতিকৈ দৰকাৰ।

# দৰিদ্ৰ ঘৰত জন্ম গ্ৰহণ কৰা এজনী ছোৱালীও সৰ্বোচ্চ সাংবিধানিক পদত উপনীত হ'ব পাৰে

ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতি হিচাপে শপতগ্ৰহণ কৰিলে দ্ৰৌপদী মুৰ্মুৱে। ভাৰতৰ মুখ্য ন্যায়াধীশ এন ভি ৰমনাই তেওঁক ভাৰতৰ পঞ্চদশ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰাৱ পিছত তেওঁৰ ভাষণত মুৰ্মুৱে সকলো সাংসদ আৰু বিধায়কক ধন্যবাদ জনায় ।শপত গ্ৰহণ অনুষ্ঠানত শপত বাক্য পাঠ কৰাৰ পিছতে ৰাষ্ট্ৰপতি হিচাপে দেশবাসীক সম্বোধন কৰে দ্ৰৌপদী মুৰ্মুৱে। ভাৰতৰ ১৫ তম ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰাৰ পিছত ৰাষ্ট্ৰপতি দ্ৰৌপাদি মুৰ্মুৱে দেশবাসীক সম্বোধন কৰি কয় যে, "ৰাষ্ট্ৰপতি পদত উপনীত হোৱাটো মোৰ ব্যক্তিগত সাফল্য নহয়, ই ভাৰতৰ প্ৰতিজন দৰিদ্ৰলোকৰ কৃতিত্ব। এইটো আমাৰ গণতন্ত্ৰৰ শক্তি যে দৰিদ্ৰ ঘৰত জন্ম গ্ৰহণ কৰা এজনী ছোৱালী, দূৰৱৰ্তী জনজাতীয়



এলেকাত জন্ম গ্ৰহণ কৰা কন্যা, ভাৰতৰ সৰ্বোচ্চ সাংবিধানিক পদত উপনীত হ'ব পাৰে। ভাৰতৰ দৰিদ্ৰ সকলে কেৱল সপোনই নহয়, সেই সপোনবোৰো পূৰণ কৰিবও পাৰে। স্বাধীন ভাৰতৰ নাগৰিকসকলৰ সৈতে আমাৰ স্বাধীনতা সংগ্ৰামীসকলৰ আশা পূৰণৰ বাবে দেশখনে প্ৰচেষ্টা ত্বৰান্বিত কৰিব লাগিব ।আজিৰ পৰা কেইদিনমানৰ ভিতৰতে দেশখনে স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ কৰিব। এয়াও কাকতালীয় যে মোৰ ৰাজনৈতিক কেৰিয়াৰ আৰম্ভ হৈছিল যেতিয়া দেশখনে স্বাধীনতাৰ ৫০ তম বৰ্ষ উদযাপন কৰি আছিল আৰু আজি স্বাধীনতাৰ ৭৫ তম বৰ্ষত, মই এই নতুন দায়িত্ব লাভ কৰিছো ।এক ঐতিহাসিক সময়ত যেতিয়া ভাৰতে অহা ২৫ বছৰৰ দৃষ্টিভংগী প্ৰাপ্ত কৰিবলৈ সাজু হৈছে, তেতিয়া এই দায়িত্ব দিয়াটো মোৰ বাবে অতি সৌভাগ্যৰ বিষয়।"

# শিক্ষাৰ্থীয়ে গ্ৰহণ কৰিব পাৰিব অনলাইন স্প'কেন ইংলিছৰ পাঠদান




ৰঙিলী বাৰ্ত্তাসেৱা- ছেবাই মুকলি কৰিলে দুটাকৈ বিশেষ এপ্। শিক্ষাৰ্থীৰ বাবে মুকলি কৰা এই এপ দুটাৰ জৰিয়তে এতিয়াৰে পৰা শিক্ষাৰ্থীসকলে অনলাইন পাঠগ্ৰহণৰ সুবিধা লাভ কৰিব। এই এপ মুকলি অনুষ্ঠানত ৰাজ্যৰ শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু, ৰাজ্য চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননীগোপাল মহন্তকে ধৰি শিক্ষা বিভাগৰ বহু কেইজন শীৰ্ষ আমোলা, বিষয়া উপস্থিত থাকে। অসমীয়া, বড়ো, বাংলাভাষী শিক্ষাৰ্থীয়ে লাভ কৰিব এই এপৰ সুবিধা। মুকলি কৰা এপ দুটাৰ এটা এপৰ জৰিয়তে শিক্ষাৰ্থীসকলে স্প'কেন ইংলিছৰ পাঠদান গ্ৰহণ কৰিব পাৰিব। আনহাতে আন এটা এপত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু অসম হাই মাদ্ৰাছাৰ লিগেছী ডাটা উপলব্ধ হ'ব।

# পাকিস্তানৰ বক্সাৰক ধৰাশায়ী কৰিলে শিৱ থাপাই


পাকিস্তানৰ বক্সাৰৰ ওপৰত তেওঁৰ পাঞ্চসংযোগ কৰি প্ৰথম ৰাউণ্ডত জয়লাভ কৰিবলৈ সক্ষম হৈছে।

ৰঙিলী বাৰ্ত্তাসেৱা- কমনৱেলথৰ পৰা আহিল প্ৰথমটো ভাল খবৰ। কমনৱেলথ গেমছত অসম সন্তান শিৱ থাপাৰ সাফল্য। ৱেল্টাৰ ৱেইট শাখাত প্ৰথম ৰাউণ্ডত জয়লাভ শিৱ থাপাৰ। কমনৱেলথ গেমছত পুৰুষৰ বক্সিং ৬৩.৫ কিলোগ্ৰাম শাখাৰ ৰাউণ্ড ৩২ প্ৰতিযোগিতাত পাকিস্তানৰ ছুলেমান বাটচৰ বিৰুদ্ধে ৰিঙত নামি শিৱ থাপাই চুলেমান বালোচক পৰাস্ত কৰে। শিৱ থাপাই

# মূল্যবৃদ্ধি ৰোধৰ দাবীত দীঘলীপুখুৰীৰ পাৰত জাতীয় পৰিষদৰ বিক্ষোভ

ৰঙিলী বাৰ্ত্তাসেৱা- দৈ-চিৰাৰ পৰা আৰম্ভ কৰি শিক্ষাৰ্থীৰ বহী-পেন্সিললৈ প্ৰায় সকলো ধৰণৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত জি এছ টি আৰোপ কৰি অসহনীয় মূল্যবৃদ্ধিত চৰকাৰে উদগণি যোগোৱাৰ প্ৰতিবাদত তথা সামগ্ৰিকভাৱে মূল্য বৃদ্ধি ৰোধৰ দাবীত অসম জাতীয় পৰিষদৰ কামৰূপ মহানগৰ জিলা সমিতিয়ে গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত জাতীয় বিক্ষোভ কাৰ্যসূচী পালন কৰে। দলৰ কেন্দ্ৰীয় সভাপতি লুৰীণজ্যোতি গগৈ আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক বাণী দাসসহ প্ৰায়সকল জ্যেষ্ঠ নেতা উপস্থিত থকা এই প্ৰতিবাদী কাৰ্যসূচীত পাঁচ শতাধিক বিক্ষোভকাৰীয়ে চৰকাৰবিৰোধী শ্লোগানেৰে পৰিৱেশ মুখৰিত কৰি তোলে। মূল্যবৃদ্ধি ৰোধ কৰক, অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰা জি এছ টি প্ৰত্যাহাৰ কৰক, বিজেপি চৰকাৰ হায় হায়, বিজেপি চৰকাৰ ৰাইজৰ তেজখোৱা চৰকাৰ, নৰেন্দ্ৰ মোদী মিথ্যাচাৰী, হিমন্ত বিশ্ব শৰ্মা অহংকাৰী আদি শ্লোগান দিয়ে। প্ৰতিবাদস্থলীত আগবঢ়োৱা ভাষণত দলৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে ইউ পি এ চৰকাৰৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ প্ৰতিবাদ কৰিয়ে



বিজেপি শাসনলৈ আহিছিল। বিজেপি দলে আছে দিন অৰ্থাৎ ভাল দিন অনাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু ক্ষমতালৈ অহাৰ পিচতেই বিজেপিৰ চৰকাৰে এটাৰ পিচত এটাকৈ জনবিৰোধী পদক্ষেপ লবলৈ আৰম্ভ কৰিলে। নৰেন্দ্ৰ মোদী ক্ষমাতালৈ আহিয়েই কৰ্পোৰেট গোষ্ঠীসমূহক অধিক হাৰত ধন আহৰণৰ সুযোগ কৰি দিয়াৰ লগে লগে বনিয়া গোষ্ঠীসমূহে মূল্য বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিলে। মোদী চৰকাৰে এফালৰ পৰা ৰাজহুৱা সম্পত্তিসমূহ বিক্ৰী কৰি চৰকাৰক দেওলীয়া কৰি পেলাইছে আৰু চৰকাৰৰ ৰাজকোষ পূৰণৰ বাব জনসাধাৰণৰ ওপৰত কৰৰ বোজা জাপি দিছে। সকলো ধৰণৰ অত্যাৱশ্যকীয় সামগ্ৰীৰৰ ওপৰতৰ অসহনীয় কৰৰ বোজা জাপি দিয়াৰ পিছত বৰ্তমানে পৰিস্থিয়ে এনে পৰ্যায় পাইছেগৈ যে এতিয়া কেৱল উশাহ-নিশাহৰ ওপৰতহে কৰ লগাবলৈ বাকী আছে। ভাৰত শাসন কৰা বৃটিছেও আনকি খাদ্য আটা-চিৰাৰ দৰে খাদ্য দ্ৰব্যৰ ওপৰত কৰ আৰোপ কৰা নাছিল। বিজেপি চৰকাৰে বৃটিছৰ ইষ্ট ইণ্ডিয়া কোম্পানীকো চেৰাই গৈছে। দলৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক বাণী দাসে নিজৰ বক্তব্যত কয় যে বিজেপি চৰকাৰে ৰাইজক পশু-পক্ষীৰ দৰে এটা অৱস্থালৈ ঠেলি দিছে। পশু-পক্ষাৰ পিঞ্জৰাত আৱদ্ধ কৰিবলৈ যেনেকৈ প্ৰথমে টোপ দিয়া হয়, তেনেকৈ বিনামূলীয়া বা হিকাধিকাৰী আঁচনিৰ টোপ দিছে আৰু পিচত ভোট বেংকৰ পিঞ্জৰাত আৱদ্ধ কৰি পেলাবলৈ লৈছে। দেশৰ এই অৱস্থা অব্যাহত থাকিলে আমাৰ ইয়াতো অচিৰেই শ্ৰীলংকা সদৃশ পৰিৱেশৰ সূচনা হ'ব বুলি দাসে আশংকা ব্যক্ত কৰে।

# অসাৱধানতা, আত্মসন্তুষ্টিয়ে পুনৰ মাতি আনিব বিপদ

ৰঙিলী বাৰ্ত্তাসেৱা- দেশত ৬৯ কোটি যোগ্য হিতাধিকাৰীৰ ভিতৰত মাত্ৰ ১১ শতাংশ লোকে ক'ভিড সাৱধানতাৰ পালি গ্ৰহণ কৰিছে। সাৱধানতাৰ পালিৰ বাবে যোগ্য ৬৮, ৯৭, ৬২, ১৫২ জন লোকৰ ভিতৰত এতিয়ালৈকে মাত্ৰ ৭, ৩০, ৯৬, ২৮৪ জনেহে ইয়াক গ্ৰহণ কৰিছে। যিটো কেন্দ্ৰৰ বাবে চিন্তাৰ বিষয় হৈ পৰিছে। সূত্ৰ অনুসৰি, প্ৰায় ৪ কোটি লোকে এতিয়ালৈকে প্ৰথম পালি গ্ৰহণ কৰা নাই, আনহাতে প্ৰায় ৭ কোটি লোকে দ্বিতীয় পালি গ্ৰহণ কৰিব লাগিব। ১৫ জুলাইত, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী টিকাকৰণ কেন্দ্ৰবোৰত বিনামূলীয়াকৈ ১৮ বছৰ বা তাতকৈ অধিক বয়সৰ সকলোলোকক সাৱধানতাৰ পালি প্ৰদান কৰাৰ বাবে এক বিশেষ ৭৫ দিনীয়া অভিযান আৰম্ভ কৰিছিল ।যোগ্য জনসাধাৰণৰ মাজত কোভিড সাৱধানতাৰ পালি গ্ৰহণ বৃদ্ধি কৰাৰ লক্ষ্যৰে 'ক'ভিড টিকাকৰণ অমৃত মহোৎসৱ' অভিযানটো ভাৰতৰ স্বাধীনতাৰ ৭৫ তম বাৰ্ষিকী উদযাপনৰ বাবে চৰকাৰৰ 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশ হিচাপে অনুষ্ঠিত কৰা হৈছিল। ৬০ বছৰ বা তাতকৈ অধিক বয়সৰ ১০.৪৩ কোটি যোগ্য ব্যক্তিৰ ২৯ শতাংশক ২৫ জুলাইলৈকে ক'ভিড-১৯ ভেকছিনৰ সাৱধানতা পালি প্ৰদান কৰা হৈছে। টিকাকৰণৰ লেহেম গতিৰ বিষয়ে সোধাত এক চৰকাৰী সূত্ৰই কয়, "মানুহৰ মাজত আত্মসন্তুষ্টি আৰম্ভ হৈছে। লগতে, ক'ভিডৰ ভয় আৰু নাই কিয়নো মানুহে এতিয়া ৰোগটোৰ সৈতে পৰিচিত হৈছে। এইবোৰ হৈছে ইয়াৰ মুখ্য কাৰণ।" উল্লেখযোগ্য যে, মহামাৰীৰ প্ৰায় আঢ়ৈ বছৰ বৈ যোৱাৰ লগে লগে, স্বাস্থ্য সেৱা কৰ্মী, ক্ষেত্ৰ কৰ্মচাৰী আৰু সমাজত ক্লান্তিৰ স্তৰ বৃদ্ধি পাইছে, যাৰ বাবে প্ৰণালীটোক সামূহিকভাৱে পুনৰুজ্জীৱিত কৰা, ৰাজহুৱা আৰু ব্যক্তিগত চিকিৎসালয়বোৰ শক্তিশালী কৰা আৰু আত্মসন্তুষ্টি আৰু ভাগৰৰ যিকোনো অনুভূতি আঁতৰ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

১৪ শাওণ ১৪২৭ চন Rongili Barta, Date of Publication-- 31 July, 2022

# সাত সাগৰ তেৰ নদীৰ সিপাৰৰ এখন দেশত অৰণ্য গঢ়িবলৈ যাব এগৰাকী অসম সন্তান



ৰঙিলী বাৰ্তাসেৰা- সাত সাগৰ তেৰ নদীৰ সিপাৰৰ এখন দেশত প্ৰকৃতিৰ সুৰক্ষাৰ বাবে যাব এগৰাকী অসম সন্তান। মেক্সিকোত ১ লাখ গছপুলি ৰোপণ কৰিব অৰণ্য মানৰ যাদৱ পায়েঙে। ক'ভিডৰ ভয়াবহতা আৰু লকডাউনৰ বাবে ২০২১ বৰ্ষত তেওঁ মেক্সিকোলৈ এই কাৰ্যসূচীৰ বাবে যোৱাত বাধাৰ সৃষ্টি হ'ল। কিন্তু এইবাৰ তেওঁ পুনৰ যাবৰ বাবে সাজু হৈছে। চলিত বৰ্ষৰ অক্টোবৰ মাহত মেক্সিকোলৈ যাব 'অৰণ্য মানৰ' খ্যাত প্ৰকৃতিপ্ৰেমী যাদৱ পায়েং। যাদৱ পায়েঙে ১০ বছৰৰ বাবে সুদূৰ মেক্সিকোৰ ভিছা লাভ কৰিছে। যাদৱ পায়েঙে বছৰি তিনি মাহকৈ মেক্সিকোত থাকি অৰণ্য গঢ়াত সহায় কৰিব। মেক্সিকোত ৮ লাখ হেক্টৰ ভূমিত গছপুলি ৰোপণ কৰিব পদ্মশ্ৰী যাদৱ পায়েঙে। বিগত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত মেক্সিকো চৰকাৰে যাদৱ পায়েঙৰ লগত কৰিছিল এক বিশেষ চুক্তি। এই চুক্তি অনুসৰি অৰণ্য মানৰ যাদৱ পায়েঙে দেশখনত ৰোপণ কৰিব গছপুলি। ইয়াৰোপৰি প্ৰতি তিনিমাহত তেওঁ প্ৰতিদিনেই দেশখনৰ এক লাখ ছাত্ৰ-ছাত্ৰীক গছপুলি ৰোপণৰ প্ৰশিক্ষণ দিব। দৈনিক এক লাখ ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীয়ে যাদৱ পায়েঙৰ সৈতে বৃক্ষ ৰোপণৰ কামত অংশ গ্ৰহণ কৰিব। অসমৰ পৰা তামোল আৰু নাৰিকলৰ পুলি মেক্সিকোলৈ লৈ গৈ পৰীক্ষণমূলকভাৱে ৰোপণ কৰিব অৰণ্য মানৰগৰাকীয়ে। যাদৱ পায়েঙে মাজুলীৰ পৰা মেক্সিকোলৈ লৈ যাব তামোল, নাৰিকলৰ পুলি।

# সাহিত্যিক অতুলানন্দ গোস্বামীৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৰা- অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট স্ৰষ্টা অতুলানন্দ গোস্বামীৰ দেহাৱসান। নামঘৰীয়া নামৰ উপন্যাসৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰা সাহিত্য অকাডেমী বঁটা প্ৰাপক সাহিত্যিক গৰাকীয়ে পুৱা ৫.১৫ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। এগৰাকী বিশিষ্ট অনুবাদক হিচাবেও সমগ্ৰ দেশতে পৰিচিত গোস্বামীয়ে বাঙালী সাহিত্যৰ ভালে সংখ্যক গ্ৰন্থৰ অনুবাদক গোস্বামীয়ে 'চেনেহ জৰীৰ গাঁঠি' শীৰ্ষক উপন্যাসৰ বাবে ২০০৬ চনত সাহিত্য অকাডেমী সন্মান লাভ কৰিছিল। উল্লেখ্য যে ৰাজ্যত ইতিমধ্যে এক আন্দোলনৰ ৰূপ লোৱা শংকৰদেৱৰ শিশু নিকেতন আৰু বিদ্যা নিকেতনৰ স্থাপন আৰু প্ৰসাৰৰ তেওঁ আছিল এগৰাকী অন্যতম ৰূপকাৰ। বিশিষ্ট সাহিত্যিক গৰাকীৰ মৃত্যুত ৰাজ্য জুৰি শোকৰ ছাঁ পৰিছে।

# আৰ এছ এছৰ বৰেণ্য কাৰ্যকতা বিনায়কৰাও কানেটকাৰলৈ শ্ৰদ্ধাঞ্জলি



ৰঙিলী বাৰ্তাসেৰা- ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ বৰেণ্য কাৰ্যকতা, ইতিহাস পুৰুষ প্ৰয়াত বিনায়কৰাও কানেটকাৰৰ সোঁৱৰণত স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। মহানগৰীৰ হেঙেৰাবাৰীৰ আৰ এছ এছৰ কাৰ্যালয় "সুদৰ্শনালয়" ত সংঘৰ জ্যেষ্ঠ প্ৰচাৰক গৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। কৰ্মযোগী গৌৰিশংকৰ চক্ৰৱৰ্তী সভাগৃহত আবেলি ৫ বজাত আৰ এছ এছৰ গুৱাহাটী মহানগৰৰ উদ্যোগত আয়োজিত হোৱা স্মৃতিচাৰণ সভা অনুষ্ঠানত প্ৰায় ৪০০ সংখ্যক অনুৰাগী, গুণমুগ্ধ তথা সহযোগীৰ উপস্থিত থাকি জ্যেষ্ঠ প্ৰচাৰক বিনায়কৰাও কানেটকাৰৰ কৰ্মৰাজি, অসমত অৱদান আৰু দেশমাতৃৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বিষয়ে সোঁৱৰণ কৰে। আৰম্ভণিতে বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলিৰে এই স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। প্ৰয়াত জ্যেষ্ঠ প্ৰচাৰক বিধায়কৰাওজীৰ সান্নিধ্যৰ স্মৃতিচাৰণ কৰে আৰ এছ এছৰ জ্যেষ্ঠ প্ৰচাৰক শশীকান্ত চৌখাইৱালে, অসম ক্ষেত্ৰৰ সংঘচালক ডঃ উমেশ চক্ৰৱৰ্তী আৰু গুৱাহাটী মহানগৰ সংঘচালক গুৰু প্ৰসাদ মেধিয়ে। ইয়াৰ পিছতে সভাত ধন্যবাদ সূচক বক্তব্য প্ৰদান কৰে স্মৃতিচাৰণ সভাৰ সভাপতি বশিষ্ঠৰাম ডেকাই। শেষত পূৰ্ণতা মন্ত্ৰ আৰু উপস্থিত গুণমুগ্ধৰ শ্ৰদ্ধাঞ্জলিৰে স্মৃতিচাৰণ সভা অন্ত পৰে।

# প্ৰাক্তন মন্ত্ৰী অৰ্ধেন্দু কুমাৰ দে'ৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৰা- প্ৰাক্তন মন্ত্ৰী তথা বৰ্ষীয়ান ৰাজনীতিক অৰ্ধেন্দু কুমাৰ দে' আৰু নাই। নিশা ১.৩০ বজাত চিকিৎসাধীন অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা বৰ্ষীয়ান ৰাজনীতিকগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৪ বছৰ। তেওঁৰ নশ্বৰ দেহ হোজাইলৈ লৈ যোৱা হয়। উল্লেখ যে ১৯৯১ চনৰ পৰা ২০২১ চনলৈ তেওঁ কংগ্ৰেছ দলৰ নেতা আছিল। ১৯৯১ চনৰ পৰা ২০০৬ চনলৈ সুদীৰ্ঘ সময় তেওঁ হোজাইৰ বিধায়ক আছিল। ২০১১ চনৰ পৰা ২০১৬ লৈ পুনৰ হোজাইৰ বিধায়ক নিৰ্বাচিত হৈছিল। তৰুণ গগৈ চৰকাৰৰ দিনত মন্ত্ৰী আছিল অৰ্ধেন্দু দে'। ২০২১ চনত অৰ্ধেন্দু দে'ই কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰিছিল। তেওঁৰ মৃত্যুত ৰাজ্যৰ ৰাজনীতিত শোকৰ ছাঁ পৰিছে।

# জনতা ভৱনত জ্যেষ্ঠ নাগৰিক, বিশেষভাৱে সক্ষম, দিব্যাংগ, তৃতীয় লিংগৰ ব্যক্তিৰ সংগঠনৰ নেতৃত্বৰে বৈঠকত মন্ত্ৰী পীযুষ হাজৰিকা

ৰঙিলী বাৰ্তাসেৰা- অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই জনতা ভৱনৰ নিজ কাৰ্যালয়ৰ সভাকক্ষত অসমৰ জ্যেষ্ঠ নাগৰিক, দিব্যাংগ, বিশেষভাৱে সক্ষম আৰু তৃতীয় লিংগৰ ব্যক্তিসকলৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতে এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে সংগঠনৰ প্ৰতিনিধিসকলৰ পৰা তেওঁলোকে সন্মুখীন হৈ থকা বিভিন্ন সমস্যাৰ বিষয়ে বুজ লৈ বিভাগীয় ভাৱে তেনে সমস্যসমূহ সমাধান কৰিব পৰা যায় নেকি তাৰ বিষয়ে আলোচনা কৰে। জ্যেষ্ঠ নাগৰিকসকলে সন্মুখীন হৈ অহা সমস্যসমূহৰ বিষয়ে জানিব পাৰি মন্ত্ৰীগৰাকীয়ে উপস্থিত বিভাগীয় বিষয়াসকলৰ লগত তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে লবলগা পদক্ষেপৰ ওপৰত আলোচনা কৰে। বিশেষকৈ বিদ্যালয় মহাবিদ্যালয়ৰ শৈক্ষিক পাঠ্যক্ৰমত বয়োজ্যেষ্ঠ নাগৰিকৰ প্ৰতি বাকী নাগৰিকৰ দায়িত্ববোধৰ বিষয়ে সূচী অন্তৰ্ভুক্ত কৰাৰ ওপৰত আলোচনা কৰা হয়। আনহাতে বেংক অথবা অন্যান্য ৰাজহুৱা প্ৰতিষ্ঠানত জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সুকীয়া শাৰীৰ ব্যৱস্থা কৰাৰ ওপৰতো বিভাগীয় নিৰ্দেশনা প্ৰস্তুত কৰাৰ কথা এই বৈঠকত চিন্তা কৰা হয়। তৃতীয় লিংগৰ ব্যক্তিসকলৰ সমস্যাৰাজিৰ বুজ লৈ মন্ত্ৰীগৰাকীয়ে এই সমস্যাৰ সমাধানৰ বাবেও বিভাগীয়ভাৱে কৰিব পৰা পদক্ষেপসমূহ হাতত লবলৈ বিভাগীয় প্ৰধান সচিবক নিৰ্দেশনা প্ৰদান কৰে। এই বৈঠকত ৰাজ্যখনৰ বিশেষভাৱে সক্ষম আৰু দিব্যাংগসকলক প্ৰতিনিধিত্ব কৰা কেইবাটাও সংগঠনে চৰকাৰী চাকৰিকে আদি কৰি বিভিন্ন ক্ষেত্ৰত তেওঁলোকে সন্মুখীন হৈ সমস্যাৰ কথা উল্লেখ কৰে। মন্ত্ৰী হাজৰিকাই সকলো বিভাগতে ইতিমধ্যে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত বিশেষভাৱে সক্ষম ব্যক্তিৰ বাবে থকা সংৰক্ষণক সুনিশ্চিত কৰাৰ আশ্বাস প্ৰদান কৰে। আনহাতে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত সন্মানীয় ন্যায়ালয়ত বিচাৰাধীন হৈ থকা বিষয়ত চৰকাৰে কোনো ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই বৈঠকতে কেইবাটাও সংগঠনৰ প্ৰতিনিধিয়ে বিশেষভাৱে সক্ষম ব্যক্তিৰ চাকৰিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা মেডিকেল ব'ৰ্ডক ভালদৰে কাম কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া আৰু ঘৰে ঘৰে চাৰ্ভে কৰি প্ৰকৃত বিশেষভাৱে সক্ষম ব্যক্তিৰ তালিকা প্ৰস্তুত কৰাৰ ওপৰতো গুৰুত্ব দিয়ে। আনহাতে মন্ত্ৰী হাজৰিকাই সকলো সংগঠনকে সমিল মিলেৰে কাম কৰি যাবলৈ আহ্বান জনাই উল্লেখ কৰে যে তেওঁ দুই তিনিমাহৰ মূৰে মূৰে সকলো সংগঠনৰ প্ৰতিনিধিৰ সৈতে একেলগে বৈঠকত মিলিত হৈ তেওঁলোকৰ সমস্যাসমূহ বুজিবলৈ প্ৰয়াস কৰিব। এই বৈঠকত মন্ত্ৰীগৰাকীৰ লগত সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ প্ৰধান সচিব মুকেশ চন্দ্ৰ চাহু, সঞ্চালক কিশোৰ ঠাকুৰীয়া আৰু কেইবাগৰাকীও বিভাগীয় বিষয়া উপস্থিত আছিল।



বাৰিষাৰ চিঠি

# শাওঁন পৰক দিয়া ....
## (পথাৰেই চহা জীৱনৰ অমৃত আধাৰ)

প্ৰণয় ৰয়, গোৱালপাৰা

মৰমৰ...

শাওঁন পৰক দিয়া। তোমাৰ চহৰলৈ যাম। ৰূণ-জুন বৰষুণত ভিজি তোমাৰ স'তে গাম এহেৰুৱা স্মৃতিৰ গান। মনত আছেনে... বহাগত নেঘেৰি খোপাত গুজি দিয়া কপৌ ফুলপাহিৰ কথা! মৰমে উতলা আবেগ... মোক লাজ লাজকৈ সাৰটি ধৰাৰ কথা পাহৰিলা নেকি... নিশাৰ বিহুতলিৰ চুকৰ এন্ধাৰ আৰু আৰচোৰকৈ বিহুৱান যাচি সেৱা জনোৱাৰ কথা! বুকুখন বৰকৈ বিষাইছে। বৈ বৈ মনত পৰিছে বিহুতলিৰ সেই নৰনীত্ নিশাটিৰ কথা।

শাওঁন পৰক দিয়া। তোমাৰ চহৰলৈ যাম। ৰূণ-জুন বৰষুণত ভিজি তোমাৰ স'তে গাম এহেৰুৱা স্মৃতিৰ গান। কৃষ্ণচূড়াৰ তেজৰঙী ছাঁত বহি তুমি সিদিনা অনেক কথাই কৈছিলা। জিলিৰ বিৰামহীন মাত আৰু আম-কঁঠাল পকা জেঠৰ ৰ'দ-ৰুক্ষ উত্তাপ! ঘামে গা ধুৱাই ছিল আমাক। সেই স্মৃতিকাতৰ দিনটোৰ কথা জানো পাহৰিব পাৰি... তোমাৰ শৰীৰত ৰঙা ৰিহা মেখেলাৰ মনোৰম কান্তি, উঁঠত বৈ পৰা অম্লান হাঁহিটি... অনুভূত হয় সোঁ বাউসীত অনামিস্পৰ্শানুভূতিয়ে পুলকিত কৰা তুমি যেন এখনি খৰস্ৰোতা নদী। মই হাতখন চুই চাব খোজোতেই তুমি কৈছিলা- 'দুষ্ট তুমি'... ক্ষণিক মৌনতাৰ পিছত দূৰলৈ আঙুলিয়াই দিছিলা আৰু কৈ উঠিছিলা- সৌৱা চোৱা, চঞ্চল মেঘালী আকাশত ৰঙ ছটিয়াই মঙহাকৈ ফুলিছে কৃষ্ণচূড়া। জিভাত কামোৰ দি আকৌ কৈছিলা... নহয় যোৱা, গছৰ ডালত ফুলা নাই কৃষ্ণচূড়া, ফুলিছে তোমাৰে-মোৰে ৰঙা কলিজাৰ তেজ; বাস্তৱ প্ৰেম!

মনত আছেনে... জীয়া জীয়া সেই বে-ফিকিৰ পল-অনুপলবোৰৰ কথা! সোণাৰুবুলীয়া পথচৈৰ সোঁতে সোঁতে উভোতাৰ পৰত মুঠি মুঠিকৈ ভালপোৱাৰ সেউজীয়া দুহাতত লৈ, অনুভূতিৰ নৈছিয়াৰে ৰৌদ্ৰালী সময়ক সী মোৰ দুহাতত গুজি দিছিলা আশা আৰু বিশ্বাসৰ এধাৰি মালা। তেতিয়াই দিছিলো তোমাক বুকুৰ সমস্ত ভৰসা। ... তুমি কৈছিলা- 'তোমাৰ ভাত, মোৰ পেট' আৰু লাজ লাজকৈ হাঁহি জপিয়াইছিলা নিলিমাত মুখ লুকুৱাবলৈ... তেতিয়া জানা, তোমাৰ ডিম্পলী দুগালত গুলপীয়াকৈ ফুলি উঠিছিল ৰাধাচূড়া! কথাবোৰ ভাবিলেই এনে লাগে, সিদিনা নহয়; যেন অথনিহে গাঁৱৰ উতলা পথছৈৰ সোঁতত আমি উটুৱাই দিছিলো এজাৰৰ বেঙুনীয়া পাপৰিৰ পাল... য'ত লিখিছিলো তোমাৰে-মোৰে নাম। 'ধেৎ কেঁচুৱাটি কৰবাৰ' বুলি কৈ তুমি হাঁহিছিলা। ঠিক তেতিয়াই সময়ৰ ৰং তুলিকাৰে তোমাক আকি থৈছিলো মোৰ কেঁচা কলিজাৰ কোঁহে কোঁহে। তোমাৰ উঁঠত বৈ পৰা অম্লান হাঁহিৰ উৰ্মিকাই আজিও মোক বৈ বৈ আমনি কৰে। মন গলেই উলিয়াই চাও আহাৰিয়া নৈয়ে সাৰটি ধৰা দিগন্তৰ অন্তৰাগী বেলিটিৰ সেই



ৰঙৰ মহোৎসৱ! তোমাৰ গালে-মুখে ছিটিকি পৰিছিল বেলিৰ বৰ্ণালী। সূৰ্যাস্তৰ সেই অপৰূপ পৰত সোঁ কান্ধত আলফুলে মুৰ থৈ তুমি কৈছিলা- আকৌ এটা নতুন দিনে এন্ধাৰৰ গৰ্ভত থিতাপি ললে ন'! এন্ধাৰ-পোহৰৰ আলো-ছায়াৰ আস্বাদনত আস্বাদিত হৈ উভতি অহাৰ পৰত তুমি বাৰুকৈয়ে ছাটি-ফুটি কৰিছিলা। হয়তো ভাবিছিলা, মই কৰোবাত হেৰাই যাম বুলি! তোমাৰ আস্থাবোৰ গঢ় কৰিবলৈ গৈ আছো তোমাৰ চহৰলৈ। অ' তোমাকয়ে নৈৰ চাপৰিত সজা আমাৰ পামখন দেখুৱাবলৈ নিছিলো, সেইখন এতিয়া আৰু নাই জানা! যোৱাবাৰ প্ৰথম বাৰিষাৰ বানে উছন কৰিলে। নৈয়ে বক্ষ বহলাই তাতো নিজাকৈয়ে ঘৰ সাজিলে। নৈৰনো দোষ কি! কঠিন শিলৰ বুকুফালি উলাই অহাৰ পিছতো নৈয়ে পোন বাটেৰে বব নোৱাৰে। যি ফালেৰেই আলসুৱা মাটি পায় সেই ফালেৰেই বাট কাটি মহতিয়াই গুছি যায়। ই যে নৈৰে প্ৰকৃতি প্ৰদত্ত চাৰিত্ৰিক বৈশিষ্ট সেয়ে চাগৈ নৈ চঞ্চল একা-বেঁকা। যোৱাটো বাৰিষাৰ বানে আইকো উটুৱাই নিলে! সেয়ে চাগে মাজে মাজে বাৰুকৈয়ে অকলশৰীয়া অনুভৱ কৰো।

(আঠপৃষ্ঠাত চাওক)

# অষ্টগামী সুৰুয ..

কবিতা শৰ্মা, দিল্লী

প্ৰতি খন কিতাপৰে এক জন্ম ইতিহাস থাকে। আজি মোৰ এই লিখনিৰ জৰিয়তে এনে এখন কিতাপৰ বিষয়ে আলোচনা কৰিব বিচাৰিছো যি সকলোৰে নিজৰ জীৱনৰ প্ৰতি থকা দৃষ্টিভঙ্গী বা ধাৰণা অলপ হলেও পৰিবৰ্তিত কৰিব পৰাত সহায় কৰিব বুলি আশা কৰোঁ। কিতাপ খন হ'ল ব্ৰনি ওৱেৰ (Bronnie Ware) নামৰ এগৰাকী অষ্ট্ৰেলিয়াৰ লেখিকাৰ "দা টপ ফাইভ ৰিগ্ৰেটচ অফ দা ডায়িং ( The top five Regrets of the dying)"। তেওঁ অষ্ট্ৰেলিয়াৰ এখন হস্পিতালত নাৰ্ছ হিচাপে কাম কৰিছিল আৰু সেই সকল ৰোগীৰ তত্বাৱধানৰ দায়িত্বত আছিল যি সকলে বিভিন্ন জটিল ৰোগত আক্ৰান্ত হৈ জীৱনৰ অন্তিম ক্ষণ গণিছিল। সেই সকল ৰোগীৰ সৈতে কথাবাৰ্তা (counsel-ling) হোৱাৰ সময়ত তেওঁ এটা কথা ভালকৈয়ে অনুভৱ কৰিছিল যে তেওঁলোকৰ প্ৰত্যেকজনেই নিজৰ নিজৰ জীৱনক লৈ গভীৰ ভাবে অনুতপ্ত আছিল। আটাইতকৈ আচৰিত কথা হ'ল যে সেই সকল ৰোগীৰ মাজত কোনো ধৰণৰ সাদৃশ্য নাথাকিলেও তেওঁলোকৰ অনুশোচনাবোৰ কিন্তু একেই আছিল। তাৰে ভিতৰত লেখিকাই বৰ্ণনা কৰা আটাইতকৈ সাদৃশ্য পূৰ্ণ অনুশোচনা পাচটা হ'ল ---

অনুশোচনা- ১


যদিহে মই নিজৰ জীৱনটো নিজৰ ইচ্ছা বা নিজৰ ভাল লগা অনুযায়ী অতিবাহিত কৰিলো হয় অন্তত বাৰে বাৰে এই কথা নাভাবি যে মানুহে কি কব ?

এনে সাজ নিপিন্ধিবা - মানুহে কি কব? এইটো নাখাবা - মানুহে কি কব? এইটো নকৰিবা, সেইটো নকৰিবা মানুহে কি কব ?

কোনো কোনোৱে নিজৰ অনুৰাগৰ বা কৰি আনন্দ পোৱা কাম নকৰিলে, কাৰণ মানুহে কি কব ?

কোনোৱে নিজৰ ৰুচিৰ বিষয় আৰু নিজৰ সপোন সলাই আনে বাচি দিয়া সপোনৰ পাছত দৌৰিলে, কাৰণ মানুহে কি কব? কোনো কোনোৱে নিজৰ সপোনৰ চাকৰি নকৰিলে, কাৰণ মানুহে কি কব ? আনকি বহুতে নিজৰ পচন্দ অনুযায়ী বিয়াও নকৰিলে কাৰণ মানুহে কি কব? সকলোৱে এই কথা ভাবি নিজৰ মনৰ ইচ্ছাৰ বিৰুদ্ধে জীৱন অতিবাহিত কৰিলে, তাকো সেই সকল মানুহৰ বাবে যি সকলে তেওঁলোকৰ অন্তিম দিনত দেখা কৰা তো বাদেই এবাৰ খবৰো কৰিবলৈকো সময় নাপালে!

বন্ধু বান্ধবী সকল অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে জীৱনত আপুনি স্বাৰ্থপৰ বা বিদ্ৰোহী হৈ উঠক, কিন্তু যি বোৰ কাম কৰিব পাৰিব বুলি আপোনাৰ নিজৰ ওপৰত দৃঢ় বিশ্বাস আছে বা আপোনাৰ কৰি ভাল লাগে সেইবোৰ কামো কেতিয়াবা কৰি চাওক চোন। কেৱল আনৰ ইচ্ছা অনুযায়ী চলাকে জানো জীৱন বুলি কয়? জীৱন কেৱল অতিবাহিত কৰাই নহয়, কেতিয়াবা উদযাপনো কৰি চাওক




চোন !

অনুশোচনা- ২

এই অনুশোচনা বেছিকৈ পুৰুষ সকলৰ ক্ষেত্ৰতহে দেখা পোৱা গৈছিল .... হায! যদিহে মই ইমানকৈ কাম নকৰিলো হয়! যদিহে মই মোৰ জীৱনৰ আৰু কিছু সময় নিজৰ মা-দেউতা, জীৱন সঙ্গী, সন্তান বা নিজৰ প্ৰিয় মানুহ সকলৰ সৈতে অতিবাহিত কৰিলো হয়, যদিহে মই মোৰ সন্তানক ডাঙৰ হৈ উঠা নিজৰ চকুৰে দেখিলো হয়!

বন্ধু বান্ধবী সকল, কিন্তু ইয়াৰ অৰ্থ এয়া নহয় যে আপুনি শ্ৰম নকৰিব। কিন্তু ব্যস্ততাৰ বাবে যদি আপুনি আপোনাৰ প্ৰিয়জন সকলৰ সৈতে কটোৱা মূল্যবান সময়বোৰ হেৰুৱাব লগীয়া হয়, তেতিয়া এবাৰ হলেও ভাবি চাব, আপোনাৰ সফলতাৰ বিনিময়ত আপুনি কিমান ডাঙৰ মূল্য দিবলগীয়া হ'ল!

অনুশোচনা- ৩

যদিহে মোৰ ওচৰত ইমান খিনি সাহস থাকিল হয় যে সময় থাকোতেই মই বিচৰা মানুহবোৰক মোৰ মনৰ অনুভব বোৰ জনাব পাৰিলো হয়! ইয়াত অনুভৱৰ অৰ্থ কিন্তু কেৱল ৰোমান্তিক অনুভৱ নহয়। সেই মানুহ সকল আমাৰ জীৱনৰ যিকোনো এজন হব পাৰে। যেনেকৈ কোনোবাই যদি কৈছিল মাকৰ কথা, কোনোৱে আকৌ দেউতাকৰ কথা, কোনোৱে যদি জীৱন সঙ্গীৰ কথা, কোনোৱে নিজৰ ভাই ভনীৰ কথা। ভাষা যিয়েই নহওক, ভাব কিন্তু একেটাই - যদি মই কব পাৰিলো হয় যে তেওঁলোকক মই কিমান ভাল পাওঁ... তেওঁলোকৰ স্থান মোৰ জীৱনত কিমান বিশেষ... যদি মই মোৰ কোনোবা আত্মীয়ক কব পাৰিলো হয় যে এদিন তেওঁ মোৰ অন্তৰত কিমান দুখ দিছিল ....

বন্ধু - বান্ধবী সকল আমি আমাৰ মনৰ অনুভৱ বোৰ এই কাৰণেই মুখ খুলি নকওঁ কাৰণ আমি আমাৰ দৈনন্দিন জীৱনত লগ পাই থকা মানুহ বোৰক বৰ গুৰুত্ব সহকাৰে নলওঁ বা হয়তো সহজলভ্য বুলিয়ে ধৰি লওঁ। বা কেতিয়াবা হয়তো ভাবো আজি থাকক অন্য এদিন কম যদিহে কেনেবাকৈ সম্পৰ্ক বেয়া হৈ পৰে! কিন্তু সেই উপযুক্ত সময় আমাৰ জীৱনলৈ অহাৰ অপেক্ষাত এদিন হয়তো সেই ভাব ব্যক্ত কৰাৰ সময়ো আমাৰ হাতৰ পৰাই পিছলি যায় ...

অনুশোচনা- ৪

যদিহে মই মোৰ স্কুল কলেজৰ পুৰণি বন্ধু সকলৰ সম্পৰ্কত থাকিলো হয় ... যদি জীৱনৰ এই ক্ষণত সিহঁতৰ সৈতে কিছু সময় অতিবাহিত কৰিব পাৰিলোঁ হয় ... কাৰণ আজি মোৰ বাৰে বাৰে মনত পৰি থকা সেই বন্ধু সকল, যাৰ অবিহনে এদিন মোৰ জীৱনৰ এটা মুহূৰ্তও অতিবাহিত নহৈছিল, মোৰ জীৱন নচলিছিল। হয়তো আজি তেওঁলোক পঢ়াশুনা, কৰ্ম সংস্থাপন, নিজৰ নিজৰ সংসাৰ আদিৰ বাবে দূৰলৈ গুচি গৈছে, কিন্তু কিয় এৰি অহা সেই সোণালী সময় আজি মোৰ বাৰে বাৰে মনত পৰিছে!

বন্ধু বান্ধবী সকল, সেই কাৰণে সময় থাকোতেই আমি সকলোৰে আমাৰ পুৰণা বন্ধু সকলৰ লগত পুনৰ সম্পৰ্ক গঢ়ি তুলিব পাৰো। এৰি অহা সেই সোণালী দিন বোৰ আকৌ এবাৰ জীয়াব পাৰো। আন নহলেও অন্তত এটা ফোন কল, ভিডিও কল, বা এটা মেছেজেৰে তেওঁলোকৰ সম্পৰ্কত থাকিব পাৰোঁ।

অনুশোচনা- ৫

যদিহে মই নিজকে আনন্দিত কৰি ৰাখিলো হয়। প্ৰত্যেক জন মানুহে এই কথা মানি লৈছে যে তেওঁলোকে জানে যে তেওঁলোকৰ আনন্দ কিহত। কিন্তু তথাপিও তেওঁলোকে নিজক সেই কাম কৰাৰ পৰা বিৰত ৰাখিলে, নিজকে অসুখী কৰি হলেও। কাৰণ গোটেই জীৱন তেওঁলোকে এই কথাই ভাবিলে যে তেওঁৰ সুখ কোনোবা অন্য এজনৰ সৈতেহে জড়িত।

বন্ধু বান্ধবী সকল, আপোনাৰ সুখ আপোনাৰেই নিয়ন্ত্ৰণত। এই কথা যিমান সোনকালে বুজি উঠে সিমানেই ভাল।

আপোনালোকে বাৰু কেতিয়াবা

(আঠপৃষ্ঠাত চাওক)

# মহান জাতীয় সংগঠন অসম সাহিত্য সভা

তাহানি দিনতেই কলকাতালৈ অধ্যয়ন কৰিবলৈ যোৱা অসমীয়া ছাত্র সকলৰ "অসমীয়া ছাত্ৰৰ চাহ মেল"ৰ পৰা জন্ম হৈছিল "অসমীয়া ভাষা উন্নতি সাধিনী সভা"ৰ। এই সংগঠনটিৰ উদ্যোগত আৰম্ভ হৈছিল "জোনাকী" আলোচনীৰ জৰিয়তে অসমীয়া সাহিত্যৰ গৌৰৱোজ্বল ইতিহাসৰ পৰিক্রমা। এই পৰিক্রমাই অসমীয়া সাহিত্যক প্ৰদান কৰিছিল এটি ঐতিহাসিক যুগ। যিটো যুগক অসমীয়া সাহিত্যৰ সাধক সকলে নাম দিছিল "জোনাকী যুগ"। এনে ধৰণৰ সাহিত্য কৰ্ম আৰু ত্যাগৰ বিনিময়ত ইং ১৯১৭ চনত গঠন হৈছিল অসম আৰু অসমীয়াৰ অন্তৰাত্মাৰ সৈতে জড়িত মহান জাতীয় সংগঠন "অসম সাহিত্য সভা"ৰ। সাম্প্রতিক সময়ত অসম সাহিত্য সভাই শতাব্দীৰ অধিক কাল অতিক্রম কৰাৰ শুভ মুহূৰ্তত উত্থাপিত এটি অনাকাংখিত প্ৰশ্ন হৈছে অসম সাহিত্য সভাই নিজৰ গৰিমা হেৰুৱাইছে নেকি? এটি নহয়, এনে অলেখ প্ৰশ্ন সম্প্রতি প্ৰচাৰ মাধ্যমৰ বিভিন্ন মেডিয়া যোগে প্ৰকাশ হৈ আহিছে। এয়া নিশ্চয় অসম সাহিত্য সভাৰ কাৰণে ইতিবাচক দিশ হ'ব নোৱাৰে।

ব্যক্তিগত ভাবে অসম সাহিত্য সভাৰ সৈতে আমি ইং ১৯৯৪ চনৰ পৰা বিশেষ ভাবে জড়িত হৈ আহিছো। সাম্প্রতিক সময়টো এই জাতীয় মহা সংগঠনটিৰ সৈতে আত্মিক ভাবে জড়িত হৈ আছো। অৱশ্যে আমি নিজেও ওপৰোক্ত প্ৰশ্ন সমূহৰ সমূখীন নোহোৱা নহয়। অসম সাহিত্য সভাৰ এগৰাকী সাধাৰণ কৰ্মী হোৱাৰ সুবাদতে ইং ২০০৫ চনত দৰং জিলাৰ ছিপাঝাৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনৰ আদৰণী সমিতিত এগৰাকী "সহকাৰী সাধাৰণ সম্পাদক" হিচাপে সেৱা আগবঢ়াবলৈ সুযোগ পাইছিলো। দৰং জিলা সাহিত্য সভাৰ পত্রিকাৰ সহকাৰী সম্পাদক আৰু সাংগঠনিক সম্পাদক হিচাপেও সেৱা ইতিমধ্যে আগবঢ়াই আহিছো। আমি সানোৱা সাহিত্য সভাৰ সম্পাদক হৈ থকা কালত ইং ১৯৯৭ চনৰ ৰৰ অক্টোবৰ তাৰিখ শনিবাৰে এই শাখাটিৰ জৰিয়তে অসম সাহিত্য সভাই অসমৰ জাতীয় জীৱনৰ মহা সংগঠক মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেবৰ জন্ম জয়ন্তীৰ উৎসবৰ লগত সংগতি ৰাখি "সংহতি সপ্তাহ"ৰ শুভাৰম্ভণি অনুষ্ঠানটি ৰূপায়ণ কৰিছিল। উক্ত অনুষ্ঠানটিৰ সফল ৰূপায়ণৰ ক্ষেত্রত স্থানীয় সানোৱাবাসী ৰাইজৰ সহযোগিতা অসম সাহিত্য সভাৰ ইতিহাসত

**ফখৰুদ্দিন আহমেদ ছিপাঝাৰ**

( ছয় পৃষ্ঠাত চাওক)



# শ্বেত কুষ্ঠ বা বগা দাগ আৰু আয়ুৰ্বেদিকত চিকিৎসা

ডাঃ বিজিতা চুতীয়া বি.এ. এম.এচ., এম.ডি.(আয়ুৰ)
আয়ুৰ্বেদিক বিশেষজ্ঞ



ছালখন হৈছে আমাৰ শৰীৰৰ সৰ্ববৃহৎ অংগ, যিয়ে আমাৰ ব্যক্তিত্ব ধৰি ৰখাতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেয়ে আমি সকলোৱে ছালখন সুন্দৰ কৰি ৰাখিবলৈ যত্ন লোৱা উচিত। বৰ্তমান যুগত ছালৰ নানা সমস্যাই দেখা দিছে। তাৰ ভিতৰত শ্বেত কুষ্ঠ বা ভিটিলিগ' অন্যতম ৰোগ। শ্বেত মানে বগা দাগ আৰু কুষ্ঠ মানে আয়ুৰ্বেদৰ ভাষাত ছালৰ ৰোগ। অৰ্থাৎ এই ৰোগত শৰীৰৰ যিকোনো ঠাইত বগা দাগ হোৱা দেখা যায়। এই ৰোগত আক্ৰান্ত ৰোগী বিভিন্ন ভ্ৰান্ত ধাৰণাৰ চিকাৰ হয়। তেওঁ ভাবে যে এয়া ঈশ্বৰৰ অভিশাপ, দুৰাৰোগ্য ৰোগ, সোঁচৰা ৰোগ ইত্যাদি। ৰোগীৰ মন দুশ্চিন্তাৰে ভৰি পৰে। কিন্তু ৰোগীয়ে ভাবি লোৱাৰ দৰে এই ভ্ৰান্ত ধাৰণাবোৰ এটাও সত্য নহয়। উপযুক্ত আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিৰে এই ৰোগ আৰোগ্য কৰিব পৰা যায়।

শ্বেত কুষ্ঠ ৰোগৰ লক্ষণ :

(১) সকলো বয়সৰ লোক এই ৰোগত আক্ৰান্ত হ'ব পাৰে।

(২) সাধাৰণতে মুৰ, মুখমণ্ডল, কপাল, বুকু, পিঠি, হাত-ভৰি, আঙুলি আদিত এই ৰোগে আক্ৰমণ কৰা দেখা যায়।

(৩) কেতিয়াবা এটা তিলৰ সমান বগা দাগ শৰীৰৰ উক্ত ঠাইবোৰত দেখা যায় আৰু পৰৱৰ্তী সময়ত শৰীৰত বিয়পি পৰে।

শ্বেত কুষ্ঠ ৰোগৰ কাৰণ ঃ

(১) বংশগত প্ৰভাৱ

(২) স্নায়বিক তথা স্নায়ুজনিত কাৰক

(৩) বিভিন্ন ধৰণৰ ঔষধৰ পাৰ্শ্বক্ৰিয়া

(৪) মানসিক দুশ্চিন্তা

(৫) আন কিছুমান ৰোগৰ প্ৰভাৱ যেনে- ডায়েবেটিছ, থাইৰয়ড গ্ৰন্থিৰ ৰোগ ইত্যাদি।

আয়ুৰ্বেদ শাস্ত্ৰ অনুসৰি বিসংগতিপূৰ্ণ জীৱনশৈলী আৰু অস্বাস্থ্যকৰ খাদ্যাভ্যাস আদি শ্বেত কুষ্ঠৰ কাৰণ বুলি উল্লেখ আছে। বৰ্তমান যুগত প্ৰায়ভাগ লোকেই মানসিক চাপৰ কবলত পৰা দেখা যায়। মানসিক চাপৰ প্ৰভাৱত আমাৰ দেহৰ স্নায়ুসমূহত একপ্ৰকাৰ অনিষ্টকাৰী ৰাসায়নিক পদাৰ্থ 'কেটেকোলেমাইন' (Catecholamine) নিৰ্গত হয়। এইবিধ পদাৰ্থই ছালত বগা দাগ সৃষ্টিত অৰিহণা যোগায়। ছালত নিহিত হৈ থকা 'মেলানোছাইট' নামৰ ৰং সৃষ্টি কৰা কোষবিধে আমাৰ ছালৰ স্বাভাৱিক ৰং উৎপাদন কৰে। এইবিধ পদাৰ্থৰ অভাৱত ছালৰ স্বাভাৱিক ৰং বিনষ্ট হয়।

শ্বেত কুষ্ঠৰ আয়ুৰ্বেদিক চিকিৎসা পদ্ধতি ঃ

শ্বেত কুষ্ঠ ৰোগ নিৰাময়ৰ বাবে ৰোগৰ আৰম্ভণিতে এই ৰোগৰ চিকিৎসা কৰা উচিত। আয়ুৰ্বেদ শাস্ত্ৰ অনুসৰি ৰোগ সৃষ্টিকাৰী কাৰণসমূহ পৰিত্যাগ কৰা অৰ্থাৎ নিদান পৰিবৰ্জন কৰিবলৈ উপদেশ দিয়া হৈছে।

আয়ুৰ্বেদিক শাস্ত্ৰত ইয়াৰ চিকিৎসাৰূপে বিভিন্ন ধৰণৰ পঞ্চকৰ্ম চিকিৎসা যেনে-ৰক্তমোক্ষণ, বিৰেচন, বমন আদিৰ উল্লেখ আছে। তদুপৰি উপবাস, বিলেপি সেৱন, বিভিন্ন ধৰণৰ তেল যেনে-ভল্লাতক তৈল, জ্যোতিষ্মা তৈল, সোমৰাজি ঘৃত, পঞ্চতিক্ত ঘৃত, বাকুচি আদি লেপ, মন শিলাদি লেপ ইত্যাদি উল্লেখনীয়। তদুপৰি বিভিন্ন ধৰণৰ ঔষধি যেনে-বাকুচি, ত্ৰিফলা, ভৃংগৰাজ, গক্ষুৰ আদিৰ উল্লেখ আছে।

মনত ৰাখিব এই ৰোগ সম্পূৰ্ণ নিৰাময় হয়। মনলৈ অহা দুশ্চিন্তা দূৰ কৰাৰ বাবে পুৱা আৰু গধূলি আধা ঘণ্টা ধ্যান অভ্যাস কৰক। এই ব্যৱস্থাৰ দ্বাৰা ৰোগীৰ মানসিক দুশ্চিন্তা কমি যাব আৰু কেটেকোলেমাইন নিৰ্গত হোৱাত বাধা প্ৰদান কৰিব । তদুপৰি শৰীৰৰ ৰোগ প্ৰতিষেধক ক্ষমতা বঢ়াবলৈ বিভিন্ন যোগাভ্যাস যেনে- ভ্ৰমণ, প্ৰাণায়াম, শৰাসন, কপালভাতি, বিপৰীতকৰণী মুদ্ৰা ইত্যাদি কৰা উচিত।

শ্বেত কুষ্ঠৰোগীৰ বাবে পথ্য ঃ

শ্বেত কুষ্ঠ ৰোগীয়ে খাদ্য গ্ৰহণৰ ক্ষেত্ৰত অধিক সতৰ্কতা অৱলম্বন কৰিব লাগে। আমিষ খাদ্যৰ লগতে গুৰুপাকী, অধিক মছলাযুক্ত খাদ্য, টেঙাজাতীয় খাদ্য বৰ্জন কৰিব। নিচাজাতীয় খাদ্য পৰিহাৰ কৰিব। অতিমাত্ৰা মিঠা বস্তু, চাহ, কফি নাখাব। সেউজীয়া শাক-পাচলি, ঢেঁকীয়া শাক, পদিনা আদিয়ে ছালৰ স্বাভাৱিক ৰং অহাত সহায় কৰে। তদুপৰি এণ্টি অক্সিডেন্ট, বিটা-কেৰ'টিন, ফাইট'কেমিকেলসমৃদ্ধ খাদ্যাই ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়াই শ্বেত কুষ্ঠ ৰোগ আৰোগ্য হোৱাত সহায় কৰে। গতিকে সঠিক খাদ্যাভ্যাস আৰু জীৱনশৈলীৰ পৰিৱৰ্তনৰ লগতে আয়ুৰ্বেদত উল্লিখিত বিভিন্ন ধৰণৰ পঞ্চকৰ্ম চিকিৎসাৰ জৰিয়তে শ্বেত কুষ্ঠ ৰোগ নিৰাময় কৰা সম্ভৱ।

# মহান জাতীয় সংগঠন অসম সাহিত্য সভা


চিৰদিন উজ্বলি থাকিব বুলি মুকলি সভাত তদানিন্তন সভাপতি ডঃ নগেন শইকীয়াই উশ্বাস ভৰা কণ্ঠেৰে মন্তব্য কৰিছিল। কাৰণ আছিল সানোৱা হৈছে এশ শতাংশ গৰিয়া জনবসতিপূৰ্ণ মুছলমান গাঁও।

সময়ে সময়ে অসম সাহিত্য সভাই বিতৰ্কৰ আবৰ্তত প্ৰবেশ কৰা পৰিলক্ষিত হৈ আহিছে। বহু বেছিকৈ উচ্চাৰিত হোৱা অভিযোগবোৰৰ ভিতৰত প্ৰধান অভিযোগ হৈছে অসম সাহিত্য সভাৰ মজিয়াত অসাহিত্যিকৰ দপ্ দপনি আৰম্ভ হৈছে। বৰ্তমান ছিপাঝাৰ বিধান সভা সমষ্টিৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী ডাঙৰীয়া একেৰাহে প্ৰধান সম্পাদক, উপ সভাপতি আৰু সভাপতি হোৱাৰ ক্ষেত্ৰটো কিছুমানে অভিযোগৰ আঙুলি টোৱায়। কিন্তু সুক্ষ্মভাবে দৃষ্টিপাট কৰিলে ওলাই পৰে যে এগৰাকী উপযুক্ত ব্যক্তি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক, উপ সভাপতি আৰু সভাপতি ৰূপে বেলট পেপাৰৰ জৰিয়তে নিৰ্বাচিত হোৱাত সাংবিধানিক ভাবে কোনো বাধা নাই। অসম সাহিত্য সভাৰ উক্ত পদৱীবোৰত অধিষ্ঠিত হোৱাৰ ক্ষেত্ৰত তেখেতৰ সকলোবোৰ বৈশিষ্ট্যই আছে। পিছে সংবাদ মাধ্যমত সৰ্ব শেষত ওলাই পৰিল যে এয়া আছিল অসমৰ এচাম তথাকথিত সাহিত্যিকৰ মানসিক অন্তৰ্দ্বন্দ্বৰহে ফচল আৰু তাত সাৰ পানী যোগাইছিল সাহিত্যিক পোচাকধাৰী এচাম অসাহিত্যিকেহে। অহেতুক বিতৰ্ক কৰিব বিচৰা সকলৰ বাবে এনে বিষয়বোৰ যেন একো একোটা সঞ্জীৱনী টনিকৰ লেখিয়াহে। সাম্প্ৰতিক সময়টো উপসভাপতি মৃণালিনী দেৱী ডাঙৰীয়ানীৰ ক্ষেত্ৰটো সেই একেটি প্ৰক্ৰিয়াই চলি আছে। উপসভাপতি গৰাকী মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ মাতৃ হোৱাৰ বাবে বহুতে এয়া ৰাজনৈতিক প্ৰভাৱত সংঘটিত হোৱা বুলিও চ'চিয়েল মেডিয়াত হকে বিহকে মন্তব্য কৰি আহিছে। পিছে এখেতো অসম সাহিত্য সভাৰ সংবিধান মৰ্মে নিৰ্বাচিত হৈ অহা এগৰাকী শ্ৰদ্ধেয় সাহিত্যিক। এখেত এগৰাকী সুসাহিত্যিক হোৱাৰ উপৰিও এগৰাকী সাংগঠনিক দিশৰ পাৰদৰ্শী ব্যক্তি। বিতৰ্কৰ সৃষ্টিকাৰী সকলে এপিনে অনিয়ম সংঘটিত হোৱা বুলি বিতৰ্কৰ সূচনা কৰে আৰু আন পিনে অসম সাহিত্য সভাৰ বিষয়ববীয়া নিৰ্বাচন কৰা সাংবিধানিক নীতি নিয়মক ভৰিৰে মোহাৰি নিজেই অনাহুত ভাবে বিতৰ্ক সৃষ্টিত অৰিহনা যোগায়। শেহতীয়াকৈ শিৱসাগৰত অনুষ্ঠিত হৈ যোৱা কাৰ্যনিৰ্বাহক সভাত খাদ্যৰ লগত গাহৰি মাংসৰ ব্যঞ্জন যোগান ধৰাক লৈ পুনৰ এটি নতুন বিতৰ্ক আৰম্ভ হৈছে। অসম সাহিত্য সভা যিহেতু জাতি, ধৰ্ম, বৰ্ণ আৰু সম্প্ৰদায় নিৰ্বিশেষে সকলো অসমীয়াৰে বুকুৰ আপোন। এনে এটি অনুষ্ঠানৰ মজিয়াত এনে ধৰণৰ খাদ্য বিতৰ্ক হ'বই নালাগিছিল। সকলো জাতি, ধৰ্ম, বৰ্ণ আৰু সম্প্ৰদায়ৰ মানুহে একেলগে বহি একে খাদ্য খাব পৰাকৈ উমৈহতীয়া খাদ্য সম্ভাৰ যোগান ধৰাৰ কৰ্তব্য আছিল আয়োজক সকলৰ। এই ক্ষেত্ৰত আমি উল্লেখ কৰিব বিচাৰো যে ইং ১৯৯৭ চনৰ ১১ অক্টোবৰ তাৰিখ শনিবাৰে সানোৱা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হৈ যোৱা অসম সাহিত্য সভাৰ সংহতি সপ্তাহৰ শুভাৰম্ভণি অনুষ্ঠানৰ দুপৰীয়াৰ আহাৰ জাতি, ধৰ্ম, বৰ্ণ আৰু সম্প্ৰদায় নিৰ্বিশেষে সকলো সাহিত্য প্ৰেমীয়ে একেলগে বহি গ্ৰহণ কৰিছিল। কাৰণ তাত উমৈহতীয়াকৈ খাব পৰা খাদ্য যোগান ধৰা হৈছিল। চ'চিয়েল মেডিয়াৰ বিতৰ্কত দেখিছো কিছুমানে শিৱসাগৰত গাহৰি মাংস আৰু লেটা পোকৰ ব্যঞ্জন শিৱসাগৰীয়া সংস্কৃতিৰ ব্যঞ্জন বুলি উল্লেখ কৰিছে। এই বিলাক হৈছে অসমীয়া সমাজখনক পুনৰ ভাগ ভাগ কৰিবলৈ সুস্থ মগজুৰে কৰা ষড়যন্ত্ৰ। কাৰণ সকলো জাতি, ধৰ্ম, বৰ্ণ আৰু সম্প্ৰদায়ৰ বাসস্থান লগতে পুৰণি কালৰ পৰা ঐক্য আৰু সংহতিৰ ৰম্য ভুমি বুলি পৰিচিত শিৱসাগৰৰ সাংস্কৃতিক ব্যঞ্জন হিচাপে এই দুবিধ খাদ্য যে প্ৰসিদ্ধ এয়া নতুনকৈ শুনিলো। এনে ধৰণৰ অনুষ্ঠানৰ কাৰ্যসুচী সকলো পিনৰ পৰা কোনো ধৰণৰ আউল নলগাকৈ সম্পন্ন কৰিব পাৰি তাৰ প্ৰতি অসম সাহিত্য সভাৰ বিষয়ববীয়া সকলে চোকা নজৰ ৰাখিলে এনে বিসংগতি কেতিয়াও ঘটিবলৈ নাপালেহেতেন। এয়া অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানৰ বাবে সঁচাকৈয়ে নেতিবাচক দিশ হিচাপে বিবেচিত হৈ থাকিব।

অসম সাহিত্য সভাক তুলা ধুনা দি সমালোচনা কৰা সকলে এই অনুষ্ঠানটিয়ে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ কৰি অহা মহা সংগ্ৰাম খনি সদায় এৰাই চলি অহা পৰিলক্ষিত হয়। অসমীয়া সাহিত্যৰ বাবে অৰ্পিত জীৱন সৰ্বস্ব এচাম মহান সাহিত্যিকে গুৰি বঠা ধৰা অসম সাহিত্য সভাত নিজকে বিখ্যাত সাহিত্যিক বুলি ভবা এচাম অসাহিত্যিক ব্যক্তিত্বৰ মানুহে স্থান নাপাই যিকোনো বিষয়কে বিতৰ্কৰ আবৰ্তলৈ যে নিব বিচাৰে সেয়া সময়ে সময়ে প্ৰতিপন্ন হৈ আহিছে।

বিতৰ্ক হ'ব লাগে কিন্তু কেৱল বিতৰ্কৰ কাৰণেই বিতৰ্ক হ'ব নালাগে। সঁচা বিতৰ্কিত বিষয়ক যোগাত্মক আলোচনাৰ মাধ্যমেৰে আগুৱাই লৈ গ'লে সমস্যা সমাধান হোৱাৰ লগতে অনুষ্ঠানটিৰ পৰম উপকাৰ হয়।

অসম সাহিত্য সভাৰ জৰিয়তে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি যিমান খিনি টনকীয়াল হৈছে আন কোনোৱেই ইমান খিনি কৰিব পৰা নাই। বিভিন্ন মানুহৰ দ্বাৰা পৰিচালিত অসম সাহিত্য সভাৰ ভুল হ'ব পাৰে। তাৰ বাবে বিতৰ্ক আহিব পাৰে। মাত্ৰ সেই বিতৰ্কক গইনা হিচাপে লৈ অনুষ্ঠানটিক মোহাৰি নিশেষ কৰাৰ মানসিকতা নলৈ ইতিবাচক মন্তব্য আৰু কৰ্মৰাজিৰে অসম সাহিত্য সভাক মহীয়ান কৰাত সাহিত্য সেৱী, সাহিত্য প্ৰেমী, সাহিত্য সংগঠক আৰু সৰ্ব সাধাৰণ অসমীয়া ৰাইজ আগবাঢ়ি অহাটো নিত্যান্তই আৱশ্যক হৈ পৰিছে। তেতিয়াহে অসম সাহিত্য সভাৰ জৰিয়তে অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিয়ে বিশ্বৰ দৰবাৰত সুকীয়া আসন লাভ কৰিব পাৰিব।


অসম চৰকাৰ
অসম বাজেট
২০২২-২০২৩
Azadi Ka Amrit Mahotsav
শিক্ষা হৈছে প্ৰগতিৰ আধাৰ
অসম চৰকাৰে ২০২২–২৩ বিত্তীয় বৰ্ষৰ বাজেটত "ৰাজ্যিক (গ্ৰাম্য) সাক্ষৰতা কাৰ্যকৰী কাৰ্যসূচী" আৰম্ভ কৰিছে।
ইয়াৰ অধীনত, প্ৰাপ্তবয়স্ক শিক্ষা সঞ্চালকালয়, মাধ্যমিক শিক্ষা বিভাগে গ্ৰাম্য অঞ্চলৰ আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত হোৱা সকলো প্ৰাপ্তবয়স্ক মহিলাক শিক্ষা প্ৰদান কৰাৰ লক্ষ্য স্থিৰ কৰিছে।
JANASANYOG-1576/22
২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেটত আনুমানিক ব্যয়
৭.৫ কোটি টকা
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৮২৮৭৯১২১৫৮ ত Assam লিখি হোৱাট্‌ছএপ কৰক
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

# তাণ্ডৱ আৰু লাস্য নৃত্য

জ্যোতিস্মিতা গোস্বামী শৰ্মা



তাণ্ডৱৰ অৰ্থ হ'ল উগ্ৰ ক্ৰিয়াকলাপ। এই নৃত্যৰ প্ৰৱৰ্তক দেৱাদিদেৱ মহাদেৱ। তাণ্ডৱ নৃত্য মহাদেৱৰ দ্বাৰা কৰা অলৌকিক নৃত্য। মহাদেৱৰ পদাঘাতত পৃথিৱী আৰু হাতৰ সঞ্চালনত নক্ষত্ৰমণ্ডল গতিমান হয়।

কোৱা হয় "নৃত্য ময়াং জগত" অৰ্থাৎ সমস্ত সংসাৰে নৃত্যময়। শিৱৰ নৃত্যত আৱিষ্কাৰ হোৱা মুদ্ৰাক তণ্ড (নন্দী স্বৰ) সংকলিত কৰি লয়, তালত অভ্যাস কৰে।

ভৰত মুনিএ ব্ৰহ্ম দেৱৰ আজ্ঞানুসৰি কৈলাস পৰ্বতত শিৱৰ সন্মুখত "ত্ৰিপুতদাহ" নামৰ নাটক প্ৰস্তুত কৰে। নাটক খনত শিৱই নৃত্য প্ৰয়োগ কৰিবলৈ উপদেশ দিয়াৰ লগতে তেঁওৰ প্ৰিয় শিষ্য তন্দুক ভৰত মুনিক নৃত্য শিক্ষা দিবলৈ আদেশ দিয়ে। এইদৰে তন্দুৰ দ্বাৰা নৃত্য শিক্ষা দিয়া বাবে শিৱৰ প্ৰসিদ্ধ নৃত্যক তাণ্ডৱ নৃত্য বোলে। ভৰত মুণিয়ে তেঁওৰ পুত্ৰক নৃত্য শিক্ষা দিয়াত জনমানসত ই প্ৰচাৰিত হয়।

তাণ্ডৱৰ প্ৰকাৰ:আনন্দ তাণ্ডৱ, ত্ৰিপুৰা তাণ্ডৱ, সন্ধ্যা তাণ্ডৱ, সমৰা তাণ্ডব, কালিকা তাণ্ডব, উমা তাণ্ডব, শিৱ তাণ্ডব, কৃষ্ণ তাণ্ডৱ আৰু গৌৰী তাণ্ডব । ইয়াৰে শিৱ তাণ্ডৱত ১৭ টা শ্লোক আছে। শ্লোক কেইটা লঙ্কাপতি ৰাৱনৰ দ্বাৰা ৰচিত।

লাস্য নৃত্য: মাতা পাৰ্বতীৰ সুকোমল অঙ্গৰ দ্বাৰা ৰচিত নৃত্যক "লাস্য" নৃত্য বোলে। পাৰ্বতীয়ে এই নৃত্য বানাসুৰৰ কন্যা ঊষাক প্ৰদান কৰে আৰু উষাই দ্বাৰকাৰ স্ত্ৰী সকলক নৃত্য শিক্ষা দিয়ে। এই দৰে পাৰ্বতীৰ দ্বাৰা নিৰ্মিত লাস্যনৃত্য পৃথিৱীত অৱতাৰ হয়। লাস্য নৃত্য হ'ল স্ত্ৰী নৃত্য।

বীৰ, বিভৎস, ৰৌদ্ৰ, অদ্ভুত আদি ৰসযুক্ত উদ্ধত নৃত্য হ'ল "তাণ্ডব নৃত্য" আৰু শৃংগাৰ প্ৰধান বৃত্তিৰ দ্বাৰা আবেষ্টিত নৃত্য হ'ল "লাস্য নৃত্য"। মূলতঃ শিৱৰ নৃত্যক"তাণ্ডৱ নৃত্য" আৰু পাৰ্বতীৰ নৃত্যক "লাস্য নৃত্য" বুলি কোৱা হয়।

# অষ্টগামী সুৰুয ..

কোনো মৃত্যু মুখী মানুহক কোৱা শুনিছেনে যে যদি মৃত্যুৰ আগতে তেওঁ আৰু এটা ঘৰ বনাই যাব পাৰিলে হয়, বা মাটি এটুকুৰ কিনি থৈ যাব পাৰিলে হয় বা অলঙ্কাৰ অলপ গঢ়াই থব পাৰিলে হয়। নিশ্চয় নহয়। কাৰণ মৃত্যুৰ সময়ত মানুহৰ অনুশোচনা কেবল মাত্ৰ অপাৰ্থিৱ বস্তুতহে হয়, পাৰ্থিব বস্তুত কেতিয়াও নহয়।

সচা কথা কবলৈ গ'লে জীৱন জীওৱাও যে এক কলা সেই সম্পৰ্কে বেছিভাগ মানুহেই অনভিজ্ঞ। সেইকাৰণেই আমি আমাৰ সহজ সৰল, সুন্দৰ, কোমল জীৱনটোক ব্যস্ততা, অনুভৱহীনতা, আকাশ চুম্বী অভিলাষ, হৃদয়হীনতা আদিৰে ইমান জটিল আৰু কঠিন কৰি পেলাও যে আমি যেন নিজৰেই হৈ নাথাকো। আনকি আমাৰ সুখ ক'ত আমাৰ আনন্দ কিহত সেই কথাও আমি পাহৰি পেলাওঁ। শেষত এনে এটা সময় আহে যে, যিদিনা মনৰ আইনাখনত আমি নিজকে চাওঁ, নিজকে বিচাৰো- যে মই কোন, মই ক'ত বা মই কি তাৰ কোনো উত্তৰ বিচাৰি নাপাওঁ। মাত্ৰ এটা বিৰাট শুণ্যৰ বাহিৰে আমাৰ জীৱনত আৰু একো অৱশিষ্ট নাথাকে। জীৱন নামৰ অথাই সাগৰত পৰি এনেকৈ ককবকাব ধৰো যে তাৰ পৰা উঠি অহাৰ ক্ষমতা হেৰুৱাই পেলাওঁ। কাৰণ আমি নিজক প্ৰাধান্য নিদিওঁ, আমি নিজৰ প্ৰতি মনযোগ নিদিওঁ, নিজৰ যত্ন নলও, আমাৰ ভাবনা, ইচ্ছা আৰু সিদ্ধান্তক আমি সন্মান নকৰোঁ। যদি আমি নিজেই আমাৰ ইচ্ছা কি, আনন্দ ক'ত নাজানো, নিজৰ সিদ্ধান্তক নিজেই সন্মান নকৰোঁ, নিজকে সময় নিদিওঁ, তেতিয়াহ'লে অন্য কোনে দিব?

প্ৰকৃততে আমাৰ সকলোৰে জীৱনবোৰো একো একোখন কিতাপৰ দৰেই যি আমাক শিকাই যায় জীৱনৰ মূল্যবোধ। শিকাই যায় এই কথাও যে জীৱন জীয়াই থাকা- নিজৰ ইচ্ছা আৰু অনুভৱ অনুযায়ী। কাৰণ, জীৱনৰ অন্তিম ক্ষণত নিজৰ বাহিৰে আন কোনেও এই কথা অনুভৱ নকৰে যে আমাৰ ইচ্ছা কি আছিল বা আমাৰ আনন্দ কিহত আছিল।

# শাওঁন পৰক দিয়া ....

অধীৰ হৈ পৰো। ... তোমাক বাদে দুখবোৰ ভগাই লবলৈ মোৰনো আছে আৰু কোন! বানৰ প্ৰকোপত খেতিও ভাল নহ'ল যোৱাবাৰ। কৃষি বিভাগে যোগান ধৰা উন্নত জাতৰ বীঁজ ৰোপণ কৰি সোণ হালধীয়া ধানৰ সলনি চপাইছিলো পতান। এইবাৰ পিছে সকলো নিজাকৈয়ে কৰিছো। আজুককাৰ দিনৰে পৰা চলি অহা ব্যৱহাৰিক জ্ঞানেৰে। অ' পাহৰিছিলোয়েই... তুমি আমাৰ খুৰাৰ কথা সুধিছিলা নহয়... ফটোতহে দেখিছো তেওঁক। আইয়ে কৈছিল- খুৰা হেনো সুখ্যাতিৰে বি.এ পাছ কৰিছিল। তেওঁহে ৰিজাল্ট দিয়াৰ আগতে কাকো একো নোকোৱাকৈ সংগোপনে অৰণ্যলৈ গুছি গৈছে। তেওঁক হেনো 'স্বাধীন অসম' লাগে। তেওঁ জী আছেনে নাই তাকো নাজানো। খুৰাক বিচাৰি আগতে প্ৰায়ে আমাৰ ঘৰলৈ সেনাৰ জোৱান আহিছিল। আ.... আৰু এদিন কেইটামান পাষণ্ড সেনাই খুৰাক ভালপোৱা ছোৱালীজনীক ধৰ্ষণ কৰিছিল। (এইবোৰ বুজন বয়সত আইয়ে কোৱা কথা) পিছত তাই এটা পিতৃ পৰিচয়হীন পুত্ৰ সন্তান জন্ম দিছিল। গাঁওৰ সমাজে তাইক এঘৰীয়া কৰিছিল। তাইৰ সেই সন্তানটিক আইয়ে আনি ডাঙৰ কৰিছিল। আইয়ে তাক মৰমতে সোণ বুলি মাতিছিল। সোণ মোৰ সহোদৰ আছিল। ভাল ফুটবলো খেলিছিল। ...সিদিনা আমি মামাহঁতৰ ঘৰত থাকোতেই ঘৰত অকলে থকা বাবাক গুপ্তঘাতকে গুলীয়াই মাৰিছিল। তেতিয়া মই প্ৰথম শ্ৰেণীত পঢ়ো। সোণৰ স্কুল যাব পৰা বয়সেই হোৱা নাছিল। সেই সোণটিও মোক নিঠৰুৱা কৰি কা আন্দোলনৰ উত্তাল সময়তেই নিষিদ্ধ সংগঠনলৈ গুচি গ'ল... বাৰু থাকক দে, দুখবোৰ তো মোৰেই সম্পদ। দুখবোৰত বাদে নিজস্ব সম্পদ বুলিবলৈ মোৰ যে আৰু একোৰেই নাই!

শাওঁন পৰক দিয়া। তোমাৰ চহৰলৈ যাম। এতিয়া জানা পথাৰত বৰ ব্যস্ত। বাৰিষাত যে পথাৰেই চহা জীৱনৰ ঘৰ হৈ পৰে। তোমাক কৈছোৰেই দ' মাটি বুলিবলৈ এডৰাও নাই। যি আছে সকলো বাম। তাকেই চহাই মৈয়াই চিকুনাই থলো। জলসিঞ্চনৰ ব্যৱস্থা নাই যে, সেই ৰ' লাগি চাই থাকো আকাশলৈ। কৃষি বিষয়া এজনে অগভীৰ নলীনাদ বহুৱাই মাটিডৰাত জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিছিল। পিছে মোৰহে সত নগল ধুনীয়া পৃথিৱীখনিক ঘুনীয়া কৰিবলৈ। হৃদয়েও নকলে। তুমিয়েই কোৱাচোন সকলোৰেই যদি অগভীৰ নলী-নাদ বহুৱাই পৃথিৱীৰ ভূ-ভাগত প্ৰকাণ্ড প্ৰকাণ্ড খালৰ সৃষ্টি কৰে তেতিয়া সাধাৰণ ভূমিকম্পতে পৃথিৱীখন ভূগৰ্ভত সোমাই নাযাবনে, এতিয়া যিহে বাঢ়িছে ভূমিকম্পৰ প্ৰকোপ! ইমান নদ-নদী থকাৰ পিছতো আমাকনো কিয় অগভীৰ নলী-নাদ ব্যৱস্থাৰ জলসিঞ্চন লাগে? সেয়ে নকৰিলো। অপেক্ষা কৰো বৰষুণ অহালৈ। শাওঁনত ঘন হয় বৰষুণ। বৰষুণৰ ৰাগত বাম মাটিয়ে প্ৰাণ পায়। বান আহে। বান আহিলে বৰ কষ্ট হয় অ'। জেঠৰ খৰাং আৰু ৰ'দ-ৰুক্ষতাৰে প্ৰকৃতিয়ে প্ৰাকৃতিকভাৱে মাটি পৰিশোধন কৰে। এইবাৰ পিছে জেঠৰ খৰাং নহ'ল। দিলে মুষলধাৰ বৰষুণ। বান আহিল। বানে নিঠৰুৱা কৰিলে সকলোকে। আমতি ছুৱা (অম্বুবাচী) আগতে কৃষকে কঠিয়া সিঁচিব নোৱাৰিলে এইবাৰ। মানুহৰ অত্যাচাৰে প্ৰকৃতিক খিয়ালি কৰি তুলিলে। সেয়ে চাগে বতৰো সলনি হ'ল। শাওঁনত যদি বৰষুণ নহয়, খেতিৰ ভাত খাই জীয়াই থকাই মস্কিল হ'ব। তথাপিও আশাহত হোৱা নাই। শাওঁনত ৰুণ-জুনকৈ বৰষুণ দিব। খেতিও নদন-বদন হৈ উঠিব।

পিছে কাকনো কি কবা! স্বাধীনতাৰ পিছৰে পৰা দেশত বহুতেই বহুবাৰ ৰজা হ'ল। বান-গড়াখহনীয়াৰ সমস্যাৰহে সমাধান নহ'ল, জলসিঞ্চনৰো সু-ব্যৱস্থা নহ'ল। চৰকাৰী আঁচনিবোৰ ৰজাই ভিজি ভালপোৱা টকাৰ বৰষুণ হ'ল। কিমান যে মাটি-ভেটি নৈৰ বক্ষত গ'ল, ক'ত পৰিয়াল অঘৰী হ'ল কোনে ৰাখিছে কাৰ খবৰ... আমি ভূমি পুত্ৰ নোহোৱাহ'লে চাগৈ আমাৰ পিঠিতো 'সন্দেহযুক্ত নাগৰিক'ৰ মোহৰ লগাই উপহাস কৰিলেহেঁতেন এচামে। বাৰু থাকক দিয়া, ৰাজনৈতিক কথা এইবোৰ।

শাওঁন পৰক দিয়া। দুদিনৰ বাবে তোমাৰ চহৰলৈ যাম। ভূমি স্খলনে ধ্বংস স্তুপত পৰিণত কৰা তোমাৰ চহৰৰ অলিয়ে গলিয়ে ভ্ৰমি ফুৰিম। তুমিও ওলাবা হা। আমি পঢ়া মহাবিদ্যালয়খনলৈও এবাৰ যাম। এপলক বহি তুমি ভালপোৱা বকুল ফুল বুটলিম। তুমি ভালপোৱা বাবেই আমাৰ পদূলিতো দুজোপা ৰুইছিলো। এইবাৰ প্ৰথম ফুলিছে। পুৱা-গধূলি আমোল-মোলাই গোন্ধাই থাকে। তোমাক সুঁৱৰি মই জানা... প্ৰায়েই গুণ গুণাও বীৰেণ দত্তৰ সেই বিখ্যাত গীতটি ... 'বহুদিন বকুলৰ গোন্ধ পোৱা নাই ...' গীতটিয়ে তোমাৰ স্মৃতিবোৰ সজীৱ কৰি তোলে। বৰ দীঘলকৈ লিখিলো নেকি! পঢ়ি পঢ়ি তোমাৰ চাগে আমনিয়েই লাগিছে। লিখাৰো অভ্যাস নোহোৱা হ'ল যে... ৰূঢ় বাস্তৱৰ স'তে যুঁজ-বাগৰ কৰি কৰি হৃদয়ৰ ভাষাবোৰো হেৰাই গ'ল। মই চাকৰি নকৰাৰ বাবেই তুমি আজিও দুখ অনুভৱ কৰা ন'! মোৰো মন আছিল প্ৰশাসনিক সেৱা বিষয়া হোৱাৰ। এতিয়া পিছে এনেকৈয়ে ভাল লাগে। ককতে-পত্ৰই পঢ়িয়েই আছা নহয় সেৱা বিষয়াৰ কলংকিত অধ্যায়ৰ কাহিনী। কেতিয়াবা ভাবি আচৰিত হওঁ- অযোগ্যজনে বাৰু কেনেকৈ যোগ্যতা আৰ্জিব পাৰে! নীতি-আদৰ্শ, নৈতিকতাবোধ বুলিবলৈকে নাইকিয়া হ'ল। যিসকলক দক্ষ বিষয়া বুলি ধাৰণা কৰো, সেই সকলেও এচাম মতলবী ৰাজনৈতিক নেতাৰ গোলামত পৰিণত হ'ল। কি দৰকাৰ আছিল ইমান পঢ়া-শুনা কৰাৰ! চাকৰি নকৰি ভালেই কৰিছো। কাৰো ওচৰত শিৰ নত নকৰি আকাশলৈ মূৰ তুলি চাই স্বাভিমানেৰে জীয়াই আছো। তুমিয়েই কোৱা- সত্বাক জানো বিসৰ্জন দিব পাৰি! তোমাৰ চাগে টোপনিয়েই আহিল, সামৰিছো বাৰু...

শাওঁন পৰক দিয়া। ভূমিস্খলনে ধ্বংস স্তুপত পৰিণত কৰা তোমাৰ চহৰলৈ, তোমাক আনিবলৈ যাম। বহু কিবাকিবি অজুহাত দেখুওৱাৰ পিছত সিদিনা প্ৰশাসনে তোমাৰ চহৰলৈ যোৱাৰ অনুমতি দিলে। বাৰে বাৰে বিষয়াজনে কৈছিল- ভূমিস্খলনে বাট-পথ উছন্ন কৰিছে আৰু দুদিন পিছত গ'লে নহয়নে... মোৰ কবৰ মন গৈছিল- জেঠত আইৰ বছৰেকীয়া তিথি গ'ল। এতিয়া আৰু আহিন অথবা মাঘ-ফাগুনলৈ বাট নাচাওঁ, কিন্তু নকলো। শাওঁন পৰক দিয়া। তোমাৰ আইয়ে-পিতাইয়ে আশীষ নিদিলেও এইবাৰ একেবাৰে নিজৰ কৰি আনিম। দুয়ো বৰষুণত ভিজিম। পথাৰত বোকা দিম। তুমি কঠিয়া তুলিবা, ভুই ৰুবা। সেইতী-মালতীহঁতৰে জাকৈ বাবা। জোকে ধৰিলে ভয় নাখাবা, হাতত 'থু' অকমান লগাই লাহেকৈ এৰুৱাই দিবা... আৰু মই পথৰুৱা সৰু সৰু আলিত বহি শাওঁনৰ বৰষুণত ধুই নিয়া তুমিজনীক নয়নভৰি চাম। বোকাৰ গোন্ধত দুয়ো মতলীয়া হম। বৰষা ঋতুৱে অধীৰ কৰা মাটিৰ কোমল সুৰেৰে গাম জীৱনৰ গান... জানাইতো লখিমী-গৃহিনী অবিহনে লহপহাই নুঠে চহা সেউজীয়া। ভৰুণ নহয় পথাৰ। পথাৰেই চহা জীৱনৰ অমৃত আধাৰ। শাওঁন পৰক দিয়া। তোমাৰ চহৰলৈ যাম। ৰুণ-জুন বৰষুণত ভিজি তোমাৰ স'তে গাম এহেৰুৱা স্মৃতিৰ গান।


# পখিলাৰ আত্মকথা

গায়ত্ৰী দেৱী বৰঠাকুৰ, তেজপুৰ

**যোৱা খণ্ডৰ পৰা**

এটা সৰু কথাতে পাঁচটা প্ৰাণীৰ কথা নাভাবি ঘৰ এৰি গুছি যোৱা মানুহটো আকৌ ঘূৰি আহিছিল কাম- কাজ নোহোৱাৰ দিনবোৰত। তাইৰ মাকৰ ওচৰলৈ। মাকে- মাকে আদৰি লৈছিল। পখিলাই ভালপোৱা নাছিল মাকৰ এই কাৰ্য। ইমানে সহজে ক্ষমা কৰি দেউতাকক আদৰি লোৱাৰ কথাটো তাই মুঠেই মানি ল'ব পৰা নাছিল। মাকৰ ঠাইত তাই হোৱা হ'লে গতা মাৰি বাহিৰ কৰি দিলে হয় ঘৰৰ পৰা। নাই, দেউতাক যেতিয়া সেই কাম কৰিব নোৱাৰে তাই কিন্তু এই দেউতাকৰ এটা সৰু অভিমানেই চোন সলনি কৰি পেলাইছিল পখিলাৰ পাখিৰ ৰঙ। সেইদিনা দেউতাক যদি তেনেকৈ ঘৰৰ এৰি নগ'ল হয় তাইৰ জীৱনো আজি বেলেগ হ'ল হয়...। হয়তো তাই আজি কাৰোবাৰ মাক হ'ল হয়... এজন মৰমিয়াল গিৰীয়েকৰ তাই আদৰুৱা ঘৈণী হ'ল হয়...নাই!!! নাই!! পখিলা ঘূৰি আহিল বাস্তৱলৈ। "হে ঈশ্বৰ, ক্ষমা কৰিবা মোক, মোৰ ভুল হৈছে। পৰী- পলী জানোঁ মোৰেই সন্তান নহয় আৰু দাদা...?????" আৰু বাইদেউক কেনেকৈ লগ পালোঁ হয়।"— তাই কথাটো অন্য ধৰণৰে ল'লে। তাইৰ পক্ষত।

সেই যে দহবছৰীয়া পখিলা আহি বাইদেউৰ আঁচলৰ তলত সোমাইছিল হি তেতিয়ালৈকে বাইদেউহঁতৰ সংসাৰ আছিল তিনিজনীয়া। তিনিজনীয়া সংসাৰখন তাই অহাৰ দুবছৰৰ বছৰৰ পাছতহে তাইক ধৰি পাঁচজনীয়া হৈছিল। বাইদেৱে চাকৰি- তাকৰিৰে সতে বৰ ধুনীয়াকৈ আৱৰি আছিল সংসাৰ খন। কলেজ থাকিলেও নাথাকিলেও সদায়ে সোনকালে উঠি সকলো কাম কৰিছিলে বাইদেৱে। কলেজ থকা দিনবোৰত ঘৰৰ সমস্ত কামৰ লগতে পৰীৰো সমস্ত দায়িত্ব পালন কৰি সময়তেই উপস্থিত হৈছিল গৈ বাইদেউ কলেজত। যিদিনা নিৰ্দ্ধাৰিত সময়তকৈ অলপ পলম হয় সেইদিনা ঘূৰি আঁহোতে অলপ গহীন হৈ থাকে বাইদেউ। মুখেৰে একো নকয়। তাই বুজি পায়। পখিলাৰ বেয়াই লাগে বাইদেউলৈ। ইমান ধুনীয়া মানুহজনী। ইমান কাম কৰিব পাৰে। সংসাৰৰ সমস্ত দায়িত্ব বাইদেউৰ। ৰাতিপুৱাই দিনটোৰ বাবে ৰন্ধা- বঢ়া কৰে বাইদেৱে। ৰাতিপুৱাৰ চাহ- ভাতৰ পৰা ধৰি পৰীৰ দিনটোৰ খোৱাৰ যোগাৰ। তাইৰ, দাদাৰ আৰু নিজৰ বাবে টিফিন আৰু তাৰ পিছত আবেলিৰো খোৱাৰ যোগাৰ বাইদেৱে কৰি থৈ যায়। নহ'লে বিশ কিল'মিটাৰ গাড়ী চলাই আহি ঘৰ পাই ৰন্ধা- বঢ়া কৰিবলৈ বাইদেউৰ সময়ে নোজোৰে। তাৰোপৰি দিনটো মাকক নেদেখা পৰীয়ে মাক আহিলেই মাকক এৰি নিদিয়া হয়। তাৰমাজতেই বাইদেউৰ এখন সৰু বাগিছাও আছিল। ঘৰৰ একমাত্ৰ ছোৱালী আছিল বাইদেউ। কিমান আদৰৰ! কিমান মৰমৰ। !পখিলাই মাজে- মাজে নিজকে বাইদেউৰ লগত তুলনা কৰি চায়। তাই পাৰিব নে এনেদৰে আগলৈ। পখিলাৰ চকুত ছবি নিজৰ সংসাৰ খনৰ। ভৱিষ্যতৰ। বাইদেউৰ দৰে। নাই। বাইদেউৰ লগত নিজকে তুলনা কৰিবলৈ যোৱাটো তাইৰ ভুল নহয়। পাপ হ'ব...পাপ....। তাইৰ অহাৰ আগতে বাইদেউৰ লগত কিৰণ আছিল। তাই লগ পাইছিল হি কিৰণক। কিৰণ যোৱাৰ দিনা কি যে পৰিস্থিতি!! আচলতে কিৰণৰ যোৱাৰ মন নাছিল। কিন্তু ঘৰৰ মানুহৰ মতে কিৰণৰ বিয়াৰ বয়স হ'ল। কিৰণ নাযায়। ঘৰৰ মানুহে নেৰে। অৱশেষত কিৰণৰ ঠাই ল'লে পখিলাই। "বাইদেউক লগ পোৱা সকলে, বাইদেউৰ মৰম পোৱা সকলে সহজে এৰি যাব নোৱাৰে বাইদেউক। তাইতকৈ আৰু বেলেগ প্ৰমাণ কোন হ'ব পাৰে। কি যাদু কৰিলে বাইদেউ? কি যাদু ?"-- পখিলাই মনতে ভাবে আৰু ভাবে। ইমানবোৰ কামৰ উপৰিও ঘৰ সৰা- মোচা কামটো সহায় কৰি দিছিল বাইদেৱে তাইক। " তই আমাৰ ঘৰত বিশেষ কাম- কাজ কৰিব নালাগে পখিলা। মাত্ৰ পৰীক নিজৰ ভনী বুলি ভাবিবি আৰু মোক তোৰ মা ...মা বুলি ভাবিবি। তাতকৈ বেছি আৰু একো নালাগে পখিলা। তই কুমলীয়া দেহাৰে মোক কাম কৰি খুৱাব নালাগে।" সঁচাই বাইদেউ থকালৈকে একো কামেই কৰি নাপালে পখিলাই। ৰাতিপুৱা পৰী শুই থাকোতেই বাইদেউ গা- পা ধুই আজৰি হয়। গা ধোওতেই চাবোন মাৰি মেচিনত ভৰাই দিয়ে কাপোৰবোৰ। বৰ চিক্ চাক আছিল বাইদেউ। ক'তো অকণো ধূলি পৰি থাকিবলৈ দিয়া নাছিল বাইদেৱে। মকৰাজালৰ পৰা পাকঘৰৰ চুকটোলৈকে সকলো চিক চিকাই থাকিছিল বাইদেউৰ হাতৰ পৰশত। ৰন্ধা- বঢ়াতো চৌখিন আছিল বাইদেউ। ধুনীয়া- ধুনীয়া কেক্- বিস্কুট ঘৰতে বনাইছিলে। আলহী আহিলে বিধে- বিধে ৰান্ধি খুৱাইছিলে। বাইদেউৰ মন আছিল পিছলৈ এখন 'ৰেষ্টুৰেন্ট' খোলাৰ। "ৰেষ্টুৰেন্টৰ' খনৰ নামটোও ঠিক কৰিছিলে বাইদেৱে -- 'জিৰণি'। বাইদেউৰ ৰেষ্টুৰেন্টত আহি হেনো সকলোৱে পুলুৱাব পাৰিব ভাগৰ। ল'ব পাৰিব মৰমত জিৰণি। কিন্তু..."কিহৰ ইমান ভাগৰ লাগিল বাইদেউ আপোনাৰ। কিহৰ ইমান ভাগৰ। উঠক বাইদেউ উঠক..। ক'ত জিৰণি লৈ আছে গৈ। ঘূৰি আহক বাইদেউ। ঘূৰি আহক। মই



নোৱাৰোঁ আপুনি নহ'লে বাইদেউ। আপুনি নহ'লে মোৰ পাখি মেলি উৰিবলৈ মন নাযায়। একোকে মন নাযায় বাইদেউ...। একোকে..।"

একোকে কৰিবলৈ মন নগ'লেও পখিলাই সকলো কৰিব লগীয়া হয়। কিছুমান নিজৰ ইচ্ছাত। কিছুমান নিজৰ অনিচ্ছাত...।

বাইদেউৰ পৰিয়াল চাৰিজনীয়া হৈ থকালৈকে, পখিলাৰ ভালকৈ মনত আছে, বাইদেউৰ লিখা- মেলা কৰাৰ নিচা নাছিল। কলেজৰ পৰা আহি পোৱাৰ পাছৰ সময়ছোৱা তেওঁ পৰীৰ লগতে পাৰ কৰিছিলে। সন্ধিয়া চাকি দি মানুহজনী অলপ পৰ বহে। বাতৰিখন মেলি চাহ একাপ খায়। কলেজৰ কিবা কাম থাকিলেও কৰি লয় এইকণ সময়তেই। এই সময়ত পৰী অকণ শোৱে।

বাইদেৱে নিজৰ কাম সামৰি ভাতৰ যোগাৰ কৰে। কলেজৰ পৰা আহোতে বজাৰ কৰি অনা বস্তুবোৰ গান শুনি- শুনিয়েই ঠিক- ঠাক কৰি থয়।

তাই টি.ভি . চাই থাকে। "এই চিৰিয়েল সোপা কোনোবাই চাই নেকি? ঘৰতে এনেকৈ লিপষ্টিক - কাজল সানি, দামী কাপোৰ পিন্ধি কাজিয়া কৰি থাকে নেকি কোনোবাই। আৰু কাম নাই এই সোপাৰ। নাৰীৰ চৰিত্ৰ কি এনেকুৱা???"-- বাইদেৱে প্ৰায়ে কৈছিলে চিৰিয়েল চোৱাৰ কথা ক'লেই। তাই বুজি নাপায় নাৰীৰ চৰিত্ৰ কেনে হোৱা উচিত? বাইদেউৰ দৰে হোৱা উচিত। সৎ, নিৰ্ভীক, মৰমিয়াল, সহনশীলা আৰু চৰিত্ৰৱতী। নে মাকৰ দৰে ..। পখিলাই আৰু নাভাবে এই বিষয়ত।" বুজিছ পখিলা, চৰিত্ৰই মানুহৰ প্ৰধান সম্পদ। এই চৰিত্ৰ নষ্ট হ'লে আঠাই সাগৰত পৰিবি পখিলা। আঠাই - সাগৰত। তই লাহে- লাহে ডাঙৰ হৈ আহিছ। বাচি খাবি, জাগি শুবি পখিলা। সংসাৰখন বৰ জটিল অ' পখিলা। সংসাৰ ইমান জটিল বুলি ময়ো ভবা নাছিলোঁ জান। চাচোন, এতিয়া কেনে মেৰপাকত পৰি কক্ বকাই আছে প্ৰতিজন মানুহেই। তোক মই চাকেনৈয়াত পৰিবলৈ নিদিওঁ পখিলা। ভাল ল'ৰা এটা চাই তোক মই বিয়া দিম। তোক মৰম কৰা, তোক ভালপোৱা, তোৰ হৈ থকা মানুহ এটা তোক মই বাচি- বাচি আনি দিম পখিলা। তই মাথো নিজে একো গণ্ডগোল নকৰিবি। মোৰ তেতিয়া দিগ্ দাৰ হ'ব পখিলা। তই বুজিছ নহয় পখিলা, মই কি ক'ব খুজিছোঁ।"

পখিলাই বুজি পায়। তাই মিচিককৈ হাঁহি এটা মাৰে। বাইদেৱে ইমান ভালপায় তাইক। সঁচাই এই মানুহ গৰাকী অলপ বেলেগ ধাতুৰে গঢ়া। ইমান ভালপায় মানুহক। ইমান কৰিব পাৰে মানুহৰ বাবে! এনে এগৰাকী মানুহক চাগে নিজৰ গিৰীয়েক মানে দাদাই চাগে কম ভালপায় নে? কিমান ধুনীয়াকৈ বুজি পায় চাগে বাইদেউৰ মনটো? আৰু অন্তৰ খন। পখিলাই জানিছিল দাদা- বাইদেৱৰ প্ৰেম বিবাহ আছিল। ঠিক টি .ভি.ত দেখাৰ দৰেই। চিনেমাত দেখাৰ দৰেই নে। তাই নাজানে ...।

জটিলতাত পৰিবলৈ নিদিওঁ বুলি কথা দি এক জটিল পৰিস্থিতিত তাইকপেলাই থৈ বাইদেউ গুছি গ'ল। শক্তিশালী সময়ৰ নিৰ্দেশ মানি। ক'ৰবালৈ। ৰাতি- ৰাতি সপোনত আজিও দেখে তাই বাইদেউক। উচুপি উঠে পখিলা।"এইয়া কি মায়া বাইদেউ? কিয় মোক ইমান মুহিলে বাইদেউ ..কিয়???"

এদিন ৰাতিপুৱা পখিলাই গম পালে বাইদেউহঁতৰ মাজলৈ পলী আহিব। তেতিয়া পৰী তিনিবছৰীয়া। "তোমাৰ কষ্ট হ'ব নেকি মাজনী?" আলহী খুৰী মানে বাইদেউৰ মাকে বাইদেউক বুজাইছিলে।" চোৱা মা, এতিয়া মোৰ পয়ত্ৰিশ চলি আছে আৰু যদি দেৰি কৰোঁ তেতিয়া হয়তো আৰু এজনক পৃথিৱীলৈ আদৰি আনিব পৰা ক্ষমতাই নাথাকিবগৈ মোৰ। আৰু এওঁৰো ইচ্ছা। এইবাৰ যদি...। তোমালোকে মোক শুভেচ্ছা জনোৱা মা। চাবা মা, মই সকলো অনায়াসে পাৰ কৰি যাম। আৰু পখিলা আছে নহয়। তাই সহায় কৰিব নহয় মোক। নে কি ক'ব পখিলা?"-- কি ক'ব পখিলাই। বাইদেউৰ কথা তাই না কৰি পোৱা নাই। না কৰিব নোৱাৰে তাই। "হ'ব বাইদেউ আপুনি যি কয়, মই সকলো কৰিম আপোনাৰ বাবে। সকলো।"

"সঁচা পখিলা।"

"সঁচা বাইদেউ।"


দিনবোৰ বাগৰি থাকিল। কণমানি পৰী এতিয়া স্কুললৈ যায়। বাইদেৱে পলীক গৰ্ভত লৈ কলেজলৈ অহা- যোৱা কৰে। আগৰ দৰেই সমস্ত কাম কৰে। তাইক মুঠেই একো কৰিবলৈ নিদিয়ে। পৰীক পঢ়ুৱাই। তাইক পঢ়ুৱাই। তাৰোপৰি তাই ভালপোৱা কিতাপ আনি দিয়ে। ফুৰাবলৈ নিয়ে। পৰীৰ লগত খেলে। আৰু লিখে ...পঢ়ে। ইয়ালে আহোঁতে পখিলাই ক'ৰ চুক কেইটাৰ বাহিৰে বাকী সকলো সময়ৰ চক্ৰান্তত পৰি পাহৰি পেলাইছিল। এতিয়া তাই সলসলীয়াকৈ অসমীয়া- ইংৰাজী পঢ়িব পাৰে। তাই ইয়ালৈ আহোঁতেই বাইদেৱে তাইক গধূলিৰ বিশেষ স্কুল এখনত নামো লগাই দিছিলে। পিছে তাইহে মন নকৰিলে। স্কুললৈ যোৱাতকৈ তাইৰ চোন বাইদেউ ওচৰত পঢ়িয়েই ভাল লাগে।

পলী গাত থকাৰ সময়তেই বাইদেউৰ এটা নতুন নিচা লাগিলে। লেখা- মেলা কৰাৰ নিচা। ইমানবোৰ দায়িত্বৰ পাছতো সময় উলিয়াই বাইদেৱে জাপে- জাপে কিতাপ পঢ়িবলৈ আৰম্ভ কৰিলে। হাতত কলম উঠাই ল'লে। আৰু খুউব ক'ম দিনৰ ভিতৰতেই মানে পলীৰ দুবছৰীয়া জন্মদিনৰ সময়লৈ বাইদেউ হৈ পৰিল এগৰাকী বিশিষ্ট কবি, লেখিকা, গল্পকাৰ আৰু অনুবাদক। তাইৰ মনত আছে বাইদেৱে এদিন নিজে কৈছিলে, " আচলতে কি জান পখিলা, কবিতা, গল্প বা অন্য বিষয়তকৈ অনুবাদহে মোৰ অধিক প্ৰিয়। জীৱনক অনুবাদ কৰা সহজ নহয়। চাচোন, মই কেনেকৈ অনুবাদ কৰি পেলালোঁ মোৰ দুখ মোৰ সৃষ্টিলৈ...আৰু......" --বাইদেউ মনে- মনে ৰ'ল। প্ৰথম বাৰলৈ বাইদেউৰ মুখত দুখৰ নাম শুনি পখিলা থতমত খাই ৰ'ল। পখিলা ব্যাকুল হৈ পৰিল..."কি দুখ বাইদেউৰ কি দুখ...ইমান ধুনীয়া এখন সংসাৰ, স্বামী আৰু সন্তান থকাৰ পিছতো কিহৰ দুখ বাইদেউৰ।" তাই একো নুসুধিলে। অজানিতে পখিলাৰ ওচৰত ধৰা পৰি যোৱাৰ ভয়ত বাইদেৱে ফোনটো উলিয়াই ল'লে। পৰী- পলী তেতিয়া টোপনিত। বাহিৰত দাদাৰ গাড়ীৰ শব্দ। পখিলা ওলাই গ'ল। বাইদেৱে বিচনাত বাগৰ দিলে, মূৰতো পেলায়....। পখিলাৰ মনটো উচপিচাই থাকিল। সকলোকে আপোন কৰি ল'ব পৰা মানুহগৰাকীৰ, জীৱনক ইমান ভালপোৱা মানুহগৰাকীৰ কিহৰ ইমান দুখ থাকিব পাৰে? পখিলা এতিয়া ওঠৰ- ঊনৈশ বছৰীয়া। এতিয়া তাই বুজিব পাৰে নাৰী মনৰ ভিতৰচোৱা। তাই মনতে ঠিক কৰি পেলালে। তাই বাইদেউৰ দুখ দূৰ কৰিব। দুখ উৎস উলিয়াব আৰু সেই উৎসক বাইদেউৰ সুখলৈ পৰিবৰ্তন কৰিব। পখিলাৰ অনুসন্ধিৎসু মনে এদিন সকলো কথা আৱিষ্কাৰ কৰি পেলালে। তাই শিল পৰা কপৌৰ দৰে থৰ হৈ হ'ল। হাঁহি- মাতি থকা বাইদেউৰ দুখৰ কাৰণ আন কোনো নহয় .. দাদাৰ প্ৰতিটো কামৰে প্ৰেৰণা বাইদেউৰ দুখৰ কাৰণো দাদা।

**আগলৈ**

# এলবামৰ পৰাই যেন চাই ৰোৱা তুমি

**মৃগাংক বৰুৱা, গোলাঘাট**



এনেকৈয়ে গুচি যায়
আমাৰ প্ৰিয়তম আই
হেঁপাহৰ অনামেণ্ট ব'
চন্দুকত পেলাই
সোণ-ৰূপৰ শিকলি ছিঙি
যেন সজাটো ভাঙি
উৰি যায় আত্মা, ডেউকা লগাই
মাথো-পৰি ৰয় এলবামৰ পৃষ্ঠাত
তোমাৰ প্ৰতিচ্ছবি
আমালে চাই চাই.....
আজি নিতৌ ৰওঁ
সন্ধিয়াৰ পদুলি মুখত
তাতে বিয়পি থাকে তোমাক চুমি
ৰজনীগন্ধাৰ দৰে সুবাস ধাৰাসাৰ----
ধাৰাসাৰ যেন তুমি......।

# প্ৰেমৰ স্বাধীনতা থাকেনে ?

**পুলিন ডেকা**



সেই বিননিবোৰেই জানো তোমাৰ ওঁঠৰ সুৰ
শাওণৰ বুকুৰ শিলছটালৈ সোমাই আহিছে।
খেতিয়কৰ সেউজ বাট
খেতিয়কবোৰ হেনো পথাৰৰ শিল্পী
সাতামপুৰুষীয়া ছন্দৰ
এপাহি সৌৰভ
হাঁহিবোৰ সাগৰীয়া সোঁতৰ দৰে অম্লান
জীৰ্ণ পাহাৰীয়া বাটটোৰ
গুজৰি গুমৰি উঠা শীতল এপৃষ্ঠা
কেনেকৈ দুৱাৰ খোলো তেজে কাটি নিয়া
নিশাটোৰ পদলেহনত
এন্ধাৰত মঙহ পচিছে
উবলি গৈছে জোনাকৰ মৃন্ময় মূৰ্তি
প্ৰেমৰ স্বাধীনতা থাকেনে?
ৰিমজিম বৰষুণ পৰাৰ দিনা পথাৰখনে
সোধা এক প্ৰশ্ন!
কত অন্বেষণৰ পোৰা পিঠিত বৈ যায়
প্ৰেমিকাৰ নখৰ আঁচোৰ
ঘড়ীৰ কেইটামান টিকটিক শব্দ
চকুত হেৰাইছে খেতিয়কৰ ছাঁ
এটা দুপৰীয়াৰ নিৰস বাৰ্তালাপ
তথাপি জীয়া শৰীৰৰ ঘৰ্মাক্ত উশাহত
পাতবোৰে গাব নিবিচাৰে মাটিৰ গান;
ক'তনো লুকাই ৰাখিছ পথাৰৰ গোন্ধ
জীৱন ভয়ত বাঢ়ি অহা গল্পগুচ্ছ।

## কবিতাৰ শিতান

# স্মৃতিৰ গৰম বন্ধ


**নিতিষ্মান দাস, অষ্টম শ্ৰেণী**



আহিল গৰম দিন, নতুন দিগন্ত লৈ,
মন যায় মোৰ কিবা নতুন কৰিবলৈ ।
খেলিম মই খেল নানা ধৰণৰ,
ভাবিছোঁ যাম ফুৰিবলৈ মামাৰ ঘৰ।
মোৰ বন্ধুসকল ফুৰিবলৈ গ'ল,
বিদ্যালয় এতিয়া বন্ধ হ'ল।
শ্ৰদ্ধাৰ শিক্ষক সকলক ঘৰলৈ মাতিম,
শ্ৰদ্ধাৰে মই গামোচা যাচিম।
কিমান যে মোৰ ভাল লাগিব,
কিমান যে মোক আশীৰ্বাদ দিব।
কৈছে মোক নতুন কিতাপ পঢ়িবলৈ,
ফুৰিবলৈ গ'লে কিবা নতুন শিকিবলৈ ।
ওচৰৰ পথাৰত কৃষি আৰম্ভ হৈছে,
ৰুৱনীয়ে কঠিয়া ৰুৱাত লাগিছে।
মহ আৰু নাঙলেৰে হাল বাইছে,
কি যে মোৰ আনন্দ লাগছে।
চৰাইবোৰে আনন্দতে, গাইছে সুৰীয়া গান,
ৰুৱনীৰ বাবে লৈ যাওঁ ভাত আৰু জলপান।
সমনীয়াৰ সৈতে পুখুৰীত মাছ ধৰিছোঁ,
লগতে অলপ ধেমালি আৰু কথা পাতিছোঁ।
খেলিছো খেল নানা ধৰণৰ,
আবেলি আৰু পুৱা হয় বৰষুণৰ বতৰ।
গৰম বন্ধ সকলোৰে এটি স্মৃতি হয়,
ভাল লাগে! যেতিয়া শীতল বতাহ বয়।
গছত লাগিছে আম আৰু কঁঠাল,
সোৱাদত মিঠা, আৰু শৰীৰৰ বাবে ভাল।
আশা কৰোঁ ঈশ্বৰে ৰাখক সুখ সমৃদ্ধি,
প্ৰকৃতিৰ সম্প্ৰীতিয়ে যেন ৰাখক শান্তি।

# কণ কবিতা...

**সংগীতা মাইনা ডেকা, ৰঙিয়া**



তোমাৰ প্ৰেমৰ সুৰক আঁকোৱালি
সংগীত বনাবলৈ মানস কৰিছিলোঁ
নাজানোঁ নহয়, সাংগীতিক স্বৰৰ ব্যাপ্তিও কিমান?
ৰিণি ৰিণিকৈ পৃষ্ঠাবোৰ খোল খায় জানা
সোঁৱৰণি তাঁৰবোৰৰ লহৰে লহৰে
মনত পৰে, এটি এটি সুৰীয়া তৰংগই
বুকুত যে গভীৰ সাঁচ বহুৱাইছিল
জনা নজনাকৈয়ে

# যাক বিচাৰি ফুৰিছোঁ অথনিৰে পৰা

**প্ৰমোদ বৰা**



অথনিৰে পৰা
মই যাৰ অপেক্ষাত আছো
যাক বিচাৰি ফুৰিছোঁ
তেওঁ শূন্যতা নহয়
মাথো তেওঁ
সংগোপনে লালন কৰে
শূন্যতাৰ অসুখ
তেওঁ কবিতা নিলিখে
মাজে মাজে অংক কৰে
বাছৰ পৰা নামি
নীৰৱে ফুটপাথেৰে খোজ কাঢ়ে
তেওঁৰ ওঁঠত মৌনতাই ভিৰ কৰে
মোৰ অসুখ বাঢ়ে
তেওঁক মই হেৰুৱাব নোখোজোঁ
চকাছন্দা পোহৰত গৈ থাকোঁতে
তেওঁ বাট হেৰুৱাব খোজে
এতিয়া
মই তেওঁৰ কাষলৈ যাব খুজোঁ
অথনিয়েই তেওঁৰ ওঁঠৰ পৰা নিগৰা
এটা হাঁহিত
মই হৈ পৰিলোঁ উদ্‌ভ্ৰান্ত প্ৰেমিক
তেতিয়াৰে পৰা মই বৈ আছোঁ
তেওঁৰেই অপেক্ষাত
চ'তৰ লঠঙা ডাল এটা হৈ
তেওঁনো বাৰু ক'ত ওলমি আছে।
চোৰা চোৰা তেওঁৰ দুভৰিৰ তলুৱাত
ভালপোৱাৰ শিপা
মই তেওঁক উপহাৰ দিব খুজিছোঁ
বৰষুণত তিতা
এটা উজ্জ্বল ৰাতিপুৱা।

# ENGLISH NEWS SECTION

## Governor attends 60 days Anti-drugs, tobacco and liquor awareness campaign




Guwahati, RB News: Assam Governor Prof. Jagdish Mukhi urged upon the parents to spend quality time with their children and provide them a loving, stable and secure home environment as strong family ties and high moral character can help in ensuring a drug-free society. Speaking at a programme held as a part of a '60 Day Anti Drug Tobacco and Liquor Awareness campaign' organised by Byatikram MASDO at ITA Centre for Performing Arts here today, Governor Prof. Mukhi said that in the light of burgeoning abuse of contraband drugs along with the use of alcohol and tobacco, parental guidance and counselling coupled with strong moral character can help the youth to stay away from the scourge of these substances. The Governor also said, "The menace of drugs is spoiling the society. Therefore, to ensure a drug-free society social organizations should put up a collective effort and work in tandem with the government to defeat the negative forces emanating from the abuse of drugs, tobacco and alcohol". He also said that the social organizations should work dedicatedly to create awareness about the vicious cycle of drugs and alcohol and the harms they are inflicting on the society. The Governor also said that the abuse of drugs, alcohol and tobacco have a detrimental effect on the youth. They are hampering the growth of the society. He further said, "Youth are full of energy and spirit and it is one of the formative periods of one's life. Therefore, this period should be thoughtfully used to channelize youth energy to some constructive purposes". Prof.Mukhi also said that drug intake is a big disease and everyone should come out of it. Consumption of drugs, liquor and tobacco can do no good but can pose fatal effect on one's life. The Governor also called upon the students present on the occasion to work dedicatedly and focus on the bright future. He also said that he would support and help in every possible way to help the society to come out of the pangs of drug, alcohol and tobacco. ADGP Hiren Nath, MD, ASDM Ankur Jain, Director NERIM Dr.Sangeeta Tripathy, Entrepreneur Ghanshyam Dhanuka, former MLA Shiladitya Deb along with a host of other dignitaries and students attended the awareness campaign.

## Assam Governor attends anti drugs-tobacco-liquor awareness campaign




Guwahati, RB News: Assam Governor Jagdish Mukhi urged the parents to spend quality time with their children and provide them a loving, stable and secure home environment as strong family ties and high moral character can help in ensuring a drug-free society.""Addressing a 60-day anti drugs-tobacco-liquor awareness campaign on Tuesday, Governor Mukhi commented that in the light of burgeoning abuse of contraband drugs along with the use of alcohol and tobacco, parental guidance and counselling can help the youth to stay away from the scourge of these substances. The menace of drugs is spoiling society. Therefore, to ensure a drug-free society, social organizations should put up a collective effort and work in tandem with the government to defeat the negative forces emanating from the abuse of drugs, tobacco and alcohol," stated the Governor adding that social organizations should work dedicatedly to create awareness about the vicious cycle of drugs & alcohol and the harms they are inflicting on the society.Consumption of drugs, liquor and tobacco can do no good but poses a fatal effect on one's life, observed the Governor calling upon the students to work dedicatedly and focus on their bright future. He wished the awareness campaign success and appealed to all sections of the society at large to show its positive resolve against drug abuse. Governor Mukhi urged the teachers and educational institutions to motivate the youth towards sports, music and contribute to national development.

## SITA sings agreement with AAU on livelihood enhancement program



Guwahati, RB News: State Innovation and Transformation Aayog (SITA), Assam has signed an agreement with Assam Agricultural University (AAU) to execute the project on integrated approached for employment empowerment adopting scientific organized goat farming for livelihood enhancement at Janata Bhawan on Friday. The memorandum of agreement (MoA) was signed by SITA chief executive officer MS Manivannan and AAU veterinary research director Dr Niranjan Kalita in presence of SITA vice-chairman Ramen Deka. Mentionable is that the SITA will provide financial assistance for the concerned study for livelihood enhancement in Assam which would be implemented by the AAU based on the concept envisaged by Anajori Development Society as its executing partner. The study involves the upliftment of socio-economic condition and economic empowerment of rural women with increasing awareness generation and stablishing the village level knowledge sharing centres to finally encouraging the goat farming as a profitable business enterprise. Ramen Deka, while addressing the brief function attended by AAU scientists Dr Dipok Bhuyan, Dr Mihir Sarma, SITA officials DS Hazari, Anajori Development Society president M Rahman with others, expressed hope that the project would be successful in enhancing productivity of livestock and poultry. He also added the initiative for skill upgradation of small, marginal farmer and upcoming youth entrepreneur would enhance skills of the women farming community in the State.

## Assam Governor mourns death of eminent author Atulananda Goswami



Guwahati, RB News:Assam Governor Prof. Jagdish Mukhi mourned the death of eminent author Atulananda Goswami. In a condolence message here today, Prof. Mukhi said, "I am really saddened by the demise of the Sahitya Akademi Award-winning litterateur Atulananda Goswami. An eminent litterateur, novelist and short story writer, his creations reflected the varied and rich aspects of Assam's social and cultural life". Prof. Mukhi also said that his demise is a loss to the State who had immensely contributed to the enrichment of Assamese literature."My deep condolences to the bereaved family members and pray to God to be with them at this trying time. I also pray to the Almighty for eternal peace of the departed soul", the Governor added.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

১৪ শাওণ ১৪২৭ চন Rongili Barta, Date of Publication-- 31 July, 2022


## Beauty of the Week



**Ayushi Talukdar**





## Art of the Week



**Chandamani Ray**

## Photography of the Week



**Durga Rao**

Beauty of the Week Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286